*সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...*

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা

**Govt. of Assam Approved** **Postal Redg. No. GH- 098/2012-17**

৩২ বছৰ, ২৭ সংখ্যা, ২০ আহাৰ , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

*RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 27 Date of Publication- 5 July 2026 Rs. 10.00/-*


## গুৱাহাটীত উদণ্ড গ্ৰীন বাছৰ খুন্দাত প্ৰাণ গ'ল দুই যুৱকৰ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীত গ্ৰীন বাছৰ অতপালিত অতিষ্ঠ সাধাৰণ জনতা। কোনো নীতি-নিয়ম নমনা একাংশ চালকৰ বাবে এতিয়া মহানগৰীত আতংকৰ কাৰণ হৈ পৰিছে গ্ৰীন বাছসমূহ। গ্ৰীন বাছসেৱা প্ৰৱৰ্তনৰ পিছৰে পৰা মহানগৰীত গ্ৰীন বাছৰ চালকৰ বিভিন্ন অতপালিয়ে ৰাইজক অতিষ্ঠ কৰি তোলাৰ পাছত শুকুৰবাৰে সন্ধিয়া লাচিতঘাটৰ সমীপৰ এমজি ৰোডত দুজন উদীয়মান যুৱকে গ্ৰীন বাছৰ খুন্দাত প্ৰাণ হেৰুৱাবলগীয়া হোৱাৰ পাছতে পুনৰ এই সেৱাক লৈ ৰাইজৰ মনত প্ৰশ্নৰ সৃষ্টি হৈছে। উল্লেখ্য যে গ্ৰীন বাছৰ অতপালিৰ বাবেই শুকুৰবাৰে সন্ধিয়া খাৰঘুলিৰ আকাশ বড়ো নামৰ যুৱক এজনৰ থিতাতে মৃত্যু হোৱাৰ লগতে একেখন স্কুটীত আৰোহী হিচাপে অহা জ্যোতিৰ্ময় দাস নামৰ আনজন যুৱকৰ শুকুৰবাৰে নিশাই মহানগৰীৰ এখন বেচৰকাৰী হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। এই সন্দৰ্ভত দুয়োজন যুৱকৰ পৰিয়ালে পাণবজাৰ থানাত এজাহাৰো দাখিল কৰিছে। কিন্তু দুজনকৈ উদীয়মান যুৱকৰ মৃত্যুৰ পাছত গ্ৰীন বাছ সেৱাৰ নিয়ন্ত্ৰণক লৈ কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাইজে চৰকাৰক দাবী জনাইছে। উল্লেখ্য যে সম্পূৰ্ণ শীত-তাপ নিয়ন্ত্ৰিত এই গ্ৰীণ বাছসমূহ বিশেষকৈ গৰমৰ দিনত যাত্ৰাৰ বাবে ৰাইজে অধিক পছন্দ কৰে। কিন্তু কোনোধৰণৰ নিয়ন্ত্ৰণ ব্যৱস্থা নমনাকৈ যান-বাহন আইনক সম্পূৰ্ণৰূপে নস্যাৎ কৰি মহানগৰীৰ যিকোনো স্থানতে হঠাতে এই বাছসমূহ ৰখাই দিয়াৰ ফলত বিভিন্ন সময়ত আন পথচাৰীসকলে বহু সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। সাধাৰণতে পূৰ্বতে এনেধৰণৰ অনিয়ন্ত্ৰিত চিটী বাছৰ চলাচলক লৈ মহানগৰ আৰক্ষী অথবা পৰিবহণ বিভাগে যিধৰণে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছিল, তেনেধৰণে বৰ্তমানে গ্ৰীন

*( নপৃষ্ঠাত চাওক)*

## প্ৰচণ্ড গ্ৰীষ্মপ্ৰৱাহত দহিছে সমগ্ৰ ৰাজ্য



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহত দহিছে সমগ্ৰ ৰাজ্য। কেইবাখনো চহৰত তাপমাত্ৰাই অতিক্ৰম কৰিলে ৩৫ ডিগ্ৰী। বিশ্বৰ বহু দেশত গ্ৰীষ্মপ্ৰৱাহত ডেৰ হাজাৰৰো অধিক লোক বৰ্তমানলৈ মৃত্যুমুখত পৰিছে। একেদৰে দেশৰ আন কেইবাখনো ৰাজ্যৰ লগতে অসমতো এইবেলি দক্ষিণ- পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত আশা কৰা ধৰণে বৰষুণ নহাত গৰমৰ তীব্ৰতা বৃদ্ধি পাইছে। সমগ্ৰ দেশৰ লগতে উত্তৰ-পূৰ্বাঞ্চলতো চলিত বৰ্ষত হ্ৰাস পাইছে বৰষুণৰ পৰিমাণ। দেশৰ কেইবাখনো ৰাজ্যৰ লগতে অসমতো এইবেলি দক্ষিণ- পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত আশা কৰা ধৰণে বৰষুণ নহাত গৰমৰ তীব্ৰতা বৃদ্ধি পাইছে। আনকি বৰষুণৰ

*( দুই পৃষ্ঠাত চাওক)*

## জিএমচিএইচত জ্বৰত আক্ৰান্ত মহিলাক দিলে বৃক্ক ৰোগৰ বেজী




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এক ভয়ংকৰ ঘটনা সংঘটিত হৈছে। ৰোগীৰ চিকিৎসাৰ নামত চৰম গাফিলতিৰ অভিযোগ উত্থাপন হৈছে নাৰ্ছৰ বিৰুদ্ধে। চিকিৎসকৰ অনুমোদিত বেজী প্ৰকৃত বৃক্ক ৰোগীক দিয়াৰ সলনি জ্বৰত আক্ৰান্ত মহিলা ৰোগীৰ দেহত নিক্ষেপ কৰি পুনৰ বিতৰ্কলৈ আহিছে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জিএমচিএইচ)। জানিব পৰা মতে, শ্বাস-প্ৰশ্বাসজনিত সমস্যা আৰু জ্বৰত আক্ৰান্ত কবিতা ডেকা নামৰ মহিলাগৰাকীক উন্নত চিকিৎসাৰ বাবে পৰিয়ালে হাস্পতালখনত ভৰ্তি কৰাইছিল। চিকিৎসা চলি থকাৰ মাজতে শনিবাৰে এগৰাকী নাৰ্ছে মহিলাগৰাকীক নিৰ্দিষ্ট বেজী এটা দিয়াৰ পাছতে মহিলাগৰাকীৰ শৰীৰত বিভিন্ন পাৰ্শ্বক্ৰিয়াৰ সৃষ্টি হ'বলৈ ধৰে। সঘনাই প্ৰস্ৰাৱ কৰি একপ্ৰকাৰ হতাশ হৈ

*( দহ পৃষ্ঠাত চাওক)*

## ভাৰতৰ ই-২০ পেট্ৰ'ল ল'বলৈ অস্বীকাৰ ভূটানৰ




ৰঙিলী বাৰ্ত্তাসেৱা-ভাৰতত ই-২০ পেট্ৰ'ল বাধ্যতামূলক কৰাৰ সিদ্ধান্তক কেন্দ্ৰ কৰি চলি থকা বিতৰ্কৰ মাজতে চুবুৰীয়া দেশ ভূটানে ইথানল-মিশ্ৰিত ই-২০ পেট্ৰ'ল গ্ৰহণ কৰিববলৈ অস্বীকাৰ কৰিছে। ভাৰতীয় তেল বিপণন কোম্পানীসমূহে ই-২০ পেট্ৰ'ল যোগানৰ প্ৰস্তাৱ আগবঢ়ালেও ভূটান চৰকাৰে ভাৰতক সাধাৰণ পেট্ৰ'লৰ যোগান অব্যাহত ৰাখিবলৈ অনুৰোধ জনাইছে। ভুটানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, প্ৰতিৱেশী দেশ ভূটানক ই-২০ পেট্ৰ'ল দিয়াৰ প্ৰস্তাৱ দিছিল ভাৰতে। কিন্তু এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি

*( তিনিপৃষ্ঠাত চাওক)*

## বোকাজানত যুৱতীক নৃশংসভাৱে হত্যা দুৰ্বৃত্তৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বোকাজানৰ হাতীগড়ত এগৰাকী যুৱতীক নৃশংসভাৱে হত্যা দুৰ্বৃত্তৰ। এই হত্যাকাণ্ডৰ ঘটনাই সমগ্ৰ বোকাজান অঞ্চলত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। বোকাজানৰ ৩০ বছৰীয়া বৰষা কাকতি নামৰ এগৰাকী যুৱতীক নিজ বাসগৃহৰ ভিতৰতে অচিনাক্ত দুৰ্বৃত্তই অতি নিৰ্মমভাবে হত্যা কৰে। উক্ত ঘৰটোত অকলশৰে বাস কৰা যুৱতীগৰাকীক ওচৰ-চুবুৰীয়াই দিনৰ ভাগত নেদেখাৰ বাবে আত্মীয়ক খবৰ দিয়ে। যুৱতীগৰাকীৰ আত্মীয় যুৱতীগৰাকীৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰাৰ পিছতে এক ভয়ংকৰ দৃশ্য প্ৰত্যক্ষ কৰে তেনেই নিৰাভৰণ অৱস্থাত পৰি থকা যুৱতীগৰাকীৰ দেহৰ ডিঙি, বুকু আৰু বাহুত কটা আৰু হনাৰ আঘাতৰ চিন স্পষ্ট হৈ থকা দেখিবলৈ পোৱা যায়। যুৱতীগৰাকীৰ ঘৰত কোনো

*( দহ পৃষ্ঠাত চাওক)*

# ‘গ্ৰন্থবৰ্ষ-২০২৫ ফেল’শ্বিপ’ প্ৰাপকসকলৰ নাম ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰে ঘোষণা কৰা ‘গ্ৰন্থবৰ্ষ-চল্লচপ্প’ৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদৰ উদ্যোগত লেখক তথা বৌদ্ধিক ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকলক সামৰি গ্ৰহণ কৰা অভিলাষী প্ৰকল্প ‘গ্ৰন্থবৰ্ষ-২০২৫ ফেল’শ্বিপ’ প্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হৈছে। ৰাজ্যখনৰ সাহিত্য আৰু বৌদ্ধিক জগতলৈ আশাৰ বতৰা কঢ়িয়াই অনা এই সন্মানীয় ফেল’শ্বিপ লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ জনপ্ৰিয় যুৱ লেখক তথা শিক্ষাব্ৰতী শ্ৰীসত্যব্ৰত বৰাইয়ো স্থান লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰকাশন পৰিষদৰ সূত্ৰই জনোৱা মতে, যুৱ লেখক বৰাৰ (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড় জিলা প্ৰশাসনৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ ১.৫ কিলোমিটাৰ বেদখল মুক্ত



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ সকলো অবৈধ দখল মুক্ত কৰাৰ নিৰ্দেশ জাৰি কৰাৰ পিছত যেন ডিব্ৰুগড় জিলা প্ৰশাসনো থমকি ৰোৱা নাই। নিৰন্তৰভাৱে জিলা খনৰ সকলো অবৈধ দখল মুক্ত কৰাৰ বাবে বদ্ধপৰিকৰ হৈ পৰিছে। চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ উদ্দেশ্যে চলোৱা এক বৃহৎ অভিযানত ডিব্ৰুগড় জিলা প্ৰশাসনে ব্ৰহ্মপুত্ৰ নদীৰ পাৰত এক বৃহৎ উচ্ছেদ অভিযান চলাই প্ৰায় ১.৫ কিলোমিটাৰ জুৰি থকা ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অবৈধ বসতিসমূহ উৎখাত কৰে। ডিব্ৰুগড় চহৰ সুৰক্ষা মথাউৰি আৰু নদীৰ পাৰৰ মাজৰ অংশত অবৈধভাৱে নিৰ্মাণ কৰা বাসগৃহ আৰু অনান্য নিৰ্মাণৰ সঁজুলি থকা সামগ্ৰীক এই অভিযানৰ অংশ বিশেষ আছিল। চৰকাৰী ভূমিৰ এই অঞ্চলটোত বিগত বছৰসমূহত অনিয়ন্ত্ৰিতভাৱে কিছু সন্দেহজনক লোকৰ বাসস্থান গঢ়ি উঠিছিল। ডিব্ৰুগড় পূব ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সমুজ্জ্বল বৰাৰ তত্বাৱধানত এই অভিযান চলোৱা হয়। চক্ৰ বিষয়া গৰাকীয়ে নিজেই ঘটনাস্থলীত উপস্থিত থাকি উচ্ছেদ প্ৰক্ৰিয়াৰ তদাৰক কৰে। বহু বছৰ ধৰি থকা আৰু সমগ্ৰ পৰিয়াল বাস কৰি থকা এই বাসগৃসমূহ ভাঙি পেলাবলৈ বৃহৎ সংখ্যক এক্সকেভেটৰ আৰু জেচিবিৰ লগতে এক বিশাল আৰক্ষী (দহ পৃষ্ঠাত চাওক)

# প্ৰচণ্ড গ্ৰীষ্মপ্ৰৱাহত দহিছে

মাহ হিচাপে পৰিচিত জুন মাহত অসমসহ উত্তৰ-পূবৰ ৰাজ্যকেইখনত স্বাভাৱিকতকৈ বৰষুণ বহু কম হৈছে। যাৰ ফলত ভুটান আৰু অৰুণাচল প্ৰদেশৰ সীমান্তবৰ্তী জিলাকেইখনৰ বাহিৰে বাকী জিলাকেইখনত অতি উদ্বেগজনকভাৱে কমি গৈছে বৰষুণৰ পৰিমাণ। ইয়াৰ ভিতৰত খৰাংসদৃশ পৰিস্থিতি সৃষ্টি হোৱা ৰাজ্যৰ ৮খন জিলাত ৪০ৰপৰা প্ৰায় ৮০ শতাংশ বৰষুণ কম হৈছে। অসমত সামগ্ৰিকভাৱে জুন মাহত গড় হিচাপত প্ৰায় ৩৭ শতাংশ বৰষুণ কম হৈছে। বতৰ বিজ্ঞানৰ ভাষাত স্বাভাৱিকতকৈ ১৯ শতাংশ বৰষুণ কম বা বেছি হ’লে তাক স্বাভাৱিক বুলি ধৰা হয়। ইফালে বৰষুণৰ পৰিমাণ কমি অহা বাবে বিগত কেইটামান দিন ধৰি ৰাজ্যত হঠাতে বৃদ্ধি পাইছে তাপমাত্ৰাৰ পৰিমাণ। পাৰাস্তম্ভ উৰ্দ্ধগামী হোৱাৰ ফলত স্বাভাৱিক জনজীৱন ব্যাহত হোৱা পৰিলক্ষিত হৈছে। অৱশ্যে পহিলা জুলাইৰ পৰা ৰাজ্যত শিক্ষানুষ্ঠানসমূহৰ বেছিভাগৰে গ্ৰীষ্ম বন্ধ চলি থকা বাবে শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকল বহুখিনি সকাহ লাভকৰিছে। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই সদৰী কৰা অনুসৰি আহাৰ মাহৰ ২০টা দিন পাৰ হোৱাৰ পাছতো ৰাজ্যত স্বাভাৱিকতকৈ প্ৰায় ৩৭ শতাংশ বৰষুণ কম হৈ আছে। যাৰ ফলত ৰাজ্যত বৃদ্ধি পাইছে তাপমাত্ৰাৰ পৰিমাণ। আকাশ ডাৱৰীয়া হোৱাৰ পাছতো আশা কৰা ধৰণে বৰষুণ নহাত বা বৰষুণৰ পৰিমাণ কম হোৱাত সূৰ্য দেৱতাই ৰুদ্ৰমূৰ্তি ধাৰণ কৰিছে। বিগত কেইবাদিনো ধৰি গুৱাহাটীকে ধৰি ৰাজ্যৰ বেছিভাগ চহৰ-নগৰত তাপমাত্ৰা স্বাভাৱিকতকৈ ৬ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত অধিক হৈ ৩৮ ডিগ্ৰী চেলছিয়াছৰো অধিক হোৱা পৰিলক্ষিত হয়। অৱশ্যে ইয়াৰ মাজতে দক্ষিণ-পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত চুবুৰীয়া ৰাষ্ট্ৰ ভুটান আৰু চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মেঘালয়ৰ কিছু কিছু সীমান্তৱৰ্তী ঠাইত বিগত কিছুদিনত মাজে-সময়ে বৰষুণ হৈ থকা বাবে সেই ঠাইসমূহৰ ৰাইজে গৰমৰ পৰা কিছু সকাহ লাভ কৰিছে। আনকি বায়ুমণ্ডলৰ আৰ্দ্ৰতাৰ তাৰতম্যৰ বাবে,৮ ডিগ্ৰী চেলছিয়াছ তাপমাত্ৰাকো ডিগ্ৰী চেলছিয়াছৰ দৰে ৰাইজে অনুভৱ কৰিবলগীয়া হৈছে। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই সন্ধিয়া সদৰী কৰা অনুসৰি বিগত কেইটামান দিন ধৰি ৰাজ্যখনৰ বেছিভাগ অঞ্চলতে বৰষুণৰ পৰিমাণ কমি যোৱা বা নোহোৱাত তাপমাত্ৰা অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। আনহাতে শনিবাৰৰ দিনটোত অসমকে ধৰি উত্তৰ-পূবৰ ভিতৰতে সৰ্বাধিক তাপমান আছিল বৰাক উপত্যকাৰ শিলচৰ চহৰত। দুপৰীয়াৰ ভাগত শিলচৰত তাপমান বৃদ্ধি পাই হৈছিল ৩৮.৬ ডিগ্ৰী চেলছিয়াছ। যিটো স্বাভাৱিকতকৈ ৫.৯ ডিগ্ৰী চেলছিয়াছ অধিক আছিল। ডিব্ৰুগড় চহৰত স্বাভাৱিকতকৈ ৪.৯ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পাই সৰ্বাধিক তাপমাত্ৰা হয় ৩৬.০ ডিগ্ৰী চেলছিয়াছ। গুৱাহাটী মহানগৰীত স্বাভাৱিকতকৈ ৪.৬ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পাই সৰ্বাধিক তাপমাত্ৰা হয়গৈ ৩৭.৪ ডিগ্ৰী চেলছিয়াছ। তেজপুৰ চহৰত স্বাভাৱিকতকৈ ৪.৪ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি হৈ সৰ্বাধিক তাপমাত্ৰা হয়গৈ ৩৬.৩ ডিগ্ৰী চেলছিয়াছ। এই সময়ছোৱাত শ্বিলং চহৰৰ সৰ্বাধিক তাপমাত্ৰা আছিল ২৮.০ ডিগ্ৰী চেলছিয়াছ। যিটো স্বাভাৱিকতকৈ ৪.৫ ডিগ্ৰী চেলছিয়াছ অধিক আছিল। তেনেদৰে নিশাৰ ভাগতো সৰ্বনিম্ন তাপমাত্ৰা ঠাইবিশেষে স্বাভাৱিকতকৈ ১১ পৰা ৩ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত ওপৰত থকাত ৰাইজে নিশাৰ ভাগতো গৰমৰ সৈতে সহাৱস্থান কৰিবলৈ বাধ্য হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলৰ মতে, অসমত বায়ুত জলীয় বাষ্পৰ পৰিমাণ বহুত বেছি পৰিমাণে থাকে। সেয়েহে তাপমান ৩৬ ডিগ্ৰী চেলছিয়াছ হ’লেও ইয়াৰ অনুভৱ উত্তৰ ভাৰতৰ ৰাজ্যসমূহৰ দৰে ৪৫ৰপৰা ৫০ ডিগ্ৰী চেলছিয়াছৰ দৰে অনুভূত হয়। এনে পৰিস্থিতিত হিট ষ্ট্ৰ’ক হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়।

# ইংলেণ্ডৰ বিৰুদ্ধে দ্বিতীয় টি-২০ত পৰাস্ত টীম ইণ্ডিয়া



ৰঙিলী বাৰ্ত্তাসেৱা- ঘৰুৱা দল ইংলেণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাৰ শনিবাৰে মানচেষ্টাৰত অনুষ্ঠিত দ্বিতীয়খন টি-২০ মেচত ৪ উইকেটত পৰাস্ত হয় টীম ইণ্ডিয়া। মেচখনত ভাৰতে জয়ৰ বাবে বান্ধি দিয়া ১৯১ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্বেও জেকব বেথেলৰ অপৰাজিত ৭৬, অধিনায়ক ক্ৰুকৰ ৩৯ আৰু বেণ্টনৰ ৩৯ ৰানৰ সহায়ত ইংলেণ্ডে ১৯ অভাৰত ৬টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ অৰ্শ্বদীপে তিনিটা উইকেট লয়। প্ৰথমে বেটিং কৰিব আহি ভাৰতৰ হৈ ঈশান কিষানে সৰ্বাধিক ৪৯ৰান, অভিষেক শৰ্মাই ৪৩ আৰু অধিনায়ক শ্ৰেয়াষ আয়াৰে ৩৭ৰান কৰে। ভাৰতৰ হৈ প্ৰথমখন মেচ খেলা বৈভৱ সূৰ্যবংশীয়ে ১৪ৰান কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে ১৯ অ’ভাৰত ছটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। আনহাতে এই মেচখনত ভাৰতীয় দলৰ হৈ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত অভিষেক ঘটে বৈভৱ সূৰ্যবংশীৰ। সূৰ্যবংশীৰ অভিষেকে বিশ্ব ক্ৰিকেটত খলকনিৰ সৃষ্টি কৰিছে। কাৰণ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত প্ৰথমটো বল খেলাৰ পূৰ্বেই বৈভৱ সূৰ্যবংশীয়ে ক্ৰিকেটৰ ভগৱান খ্যাত শচীন তেণ্ডুলকাৰৰ অভিলেখ ভংগ কৰিছে। ভাৰতৰ ৰাষ্ট্ৰীয় দলত অভিষেক ঘটা তেওঁ আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপে পৰিগণিত হৈছে। এই অভিলেখ পূৰ্বে শচীন তেণ্ডুলকাৰৰ নামত আছিল। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত বৈভৱৰ ১৫ বছৰ ৯৯ দিন বয়সত অভিষেক ঘটিছে। আনহাতে ১৯৮৯ চনত ১৬ বছৰ ২০৫ দিন বয়সত অভিষেক ঘটিছিল তেণ্ডুলকাৰৰ। ইফালে ৱাশ্বিংটন সুন্দৰক অতিক্ৰম কৰি টি২০ ক্ৰিকেটত ভাৰতৰ হৈ আটাইতকৈ কম বয়সত অভিষেক ঘটা খেলুৱৈ হিচাপেও পৰিগণিত হৈছে বৈভৱ। ২০১৭ চনত শ্ৰীলংকাৰ বিৰুদ্ধে ১৮ বছৰ ৮০ দিন বয়সত ৰাষ্ট্ৰীয় দলৰ হৈ অভিষেক ঘটিছিল ৱাশ্বিংটনৰ। ২০১৭ চনত ইংলেণ্ডৰ বিৰুদ্ধে ১৯ বছৰ ১২০ দিন বয়সত টি-২০ত অভিষেক ঘটিছিল ঋষভ পন্টৰ।

# আৰক্ষীৰ এনকাউণ্টাৰত আহত জালনোট সৰবৰাহকাৰী



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীত আৰক্ষীৰ গুলীত আহত হ’ল জালনোট সৰবৰাহকাৰী অজয় বিশ্বকৰ্মা নামৰ দুৰ্বৃত্ত। শনিবাৰে পুৱতি নিশা আৰক্ষীৰ বেষ্টনীৰ পৰা পলায়ন কৰিবলৈ লওঁতে মহানগৰ আৰক্ষীৰ এনকাউণ্টাৰত আহত হয় জালনোট সৰবৰাহকাৰী অজয় বিশ্বকৰ্মা। এনকাউণ্টাৰৰ সময়ত তেওঁৰ সোঁ ভৰিত গুলীৰ আঘাত লাগে। ঘটনাৰ পিছতে আৰক্ষীয়ে তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ (জিএমচিএইচ)ত ভৰ্তি কৰায়। বৰ্তমান তেওঁ চিকিৎসাধীন হৈ আছে। উল্লেখ্য যে বুধবাৰে নিশা গুৱাহাটী মহানগৰীত দিছপুৰ আৰক্ষীয়ে জালনোটসহ দেৱজিৎ দেউৰী আৰু অজয় বিশ্বকৰ্মা নামৰ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল। আৰক্ষীয়ে অভিযানৰ সময়ত AS-01 PC-8433 নম্বৰৰ এখন ছুইফ্ট ডিজায়াৰ বাহনৰ পৰা উদ্ধাৰ কৰিছিল ২ লাখ ৫৬ হাজাৰ টকাৰ জালনোট। উল্লেখ্য যে শেহতীয়াকৈ মহানগৰ আৰক্ষীয়ে গুৱাহাটীৰ ভিন্ন স্থানত অভিযান চলাই বৃহৎ পৰিমাণৰ জালনোট জব্দ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে আৰক্ষীয়ে দেৱজিৎ দেউৰী আৰু অজয় বিশ্বকৰ্মাক গ্ৰেপ্তাৰ কৰাৰ পিছত তদন্ত অব্যাহত থকাৰ মাজতে আৰক্ষীৰ জেৰাত অজয় বিশ্বকৰ্মাই এক চাঞ্চল্যকৰ স্বীকাৰোক্তি দিয়ে। তেওঁৰ দাবী অনুসৰি, গুৱাহাটী মহানগৰীত ইতিমধ্যে এশ কোটি টকাৰো অধিক জালনোট সিচৰতি হৈ আছে।

# অসমৰ মাচ্চা চাহে পুনৰ এবাৰ বিশ্বমঞ্চত গঢ়িলে গৌৰৱৰ নতুন ইতিহাস



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ ইতিহাস ৰচিলে অসমৰ চাহে। দেশত প্ৰথম বাণিজ্যিকভাৱে মাচ্চা চাহ উৎপাদন কৰিবলৈ সক্ষম হৈছে অসমে।অকল উৎপাদনেই নহয়, ভাৰতীয় চাহৰ ইতিহাসত প্ৰথমবাৰৰ বাবে বাণিজ্যিক ভিত্তিত বিক্ৰী হ'ল অসমত উৎপাদিত বিখ্যাত 'মাচ্চা চাহ'। শুকুৰবাৰে গুৱাহাটী চাহ নিলাম কেন্দ্ৰত বিক্ৰী হয় তিনিচুকীয়াৰ চোটা টিংৰাই চাহ বাগিচাত উৎপাদন কৰা মাচ্চা চাহ। বিগত এক দশক ধৰি জাপানৰ চাহ প্ৰস্তুতকৰ্তা- কৃষি বিশেষজ্ঞ -যন্ত্ৰ সৰবৰাহকাৰীৰ সৈতে গৱেষণালব্ধভাৱে তথা সহযোগিতাৰে কাম কৰি বাগিচাখনে কাৰ্যতঃ সপোনক বাস্তৱায়িত কৰি তুলিছে। ইয়াৰ বাবে বাগিচাখনত স্থাপন কৰা হৈছিল স্বয়ংক্ৰিয়-অত্যাধুনিক জাপানী চাহ উৎপাদন কেন্দ্ৰ। এয়া অসমৰ ঐতিহ্যপূৰ্ণ চাহ সংস্কৃতি আৰু জাপানৰ কাৰিকৰী দক্ষতাৰ এক সফল প্ৰতিফলন। গুৰুত্বপূৰ্ণ কথাটো হ'ল- অসমত উৎপাদিত মাচ্চা চাহৰ ঐতিহাসিক প্ৰথমটো বেচ গুৱাহাটী চাহ নিলাম কেন্দ্ৰত 'ছেল-২৭'ৰ সময়ত আনুষ্ঠানিকভাৱে বিক্ৰী কৰা হয়। নিলামকাৰী প্ৰতিষ্ঠান 'জে থমাছ এণ্ড কোম্পানী (দহ পৃষ্ঠাত চাওক)

# অৱশেষত জীৱন যুঁজত হাৰ মানিলে মৃদুমুদ্ৰা ডেকাই



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে নলবাৰীৰ ৰাজপথত ভয়ংকৰ আক্ৰমণৰ বলি হোৱা মৃদুমুদ্ৰা ডেকাই। শুকুৰবাৰে পুৱা ৭.৩০ বজাত চিকিৎসাধীন অৱস্থাতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত যুৱতীগৰাকীয়ে মৃত্যুক আকোৱালি লয়। ৩১ মে'ত নলবাৰীত সংঘটিত হৈছিল ৰাজ্য কঁপাই যোৱা ঘটনাটো। নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত গংগাপুৰৰ শনিমণ্ডল পথত যোৱা ৩১ মে'ত সন্ধিয়া ভাতৃ মাধুৰ্য বৰ্মনৰ সৈতে আহি থকা অৱস্থাত লাভ জেহাদী ৰ'জ আলীৰ নৃশংস আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল মৃদুমুদ্ৰা ডেকাই। মিঞা ৰ'জ আলীৰ ভয়ংকৰ আক্ৰমণত সেইদিনা থিতাতেই নিহত হৈছিল মৃদুমুদ্ৰাৰ সম্পৰ্কীয় ভাতৃ তথা পশ্চিম নলবাৰী ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক মাধুৰ্য বৰ্মন। পৰৱৰ্তী সময়ত হত্যাকাৰী ৰ'জ আলী ওৰফে আছিফ খানক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল যদিও আৰক্ষীৰ জিম্মাৰ পৰা পলাবলৈ উদ্যত হওঁতেই আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যু হৈছিল ৰ'জ আলীৰ। তেতিয়াৰে পৰাই ভঙাগড়ৰ জিএমচিএইচত জীৱন-মৃত্যুৰ সৈতে যুঁজি আছিল বানেকুছিৰ জৱাহৰ নৱোদয় বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰী মৃদুমুদ্ৰা ডেকাই। গুৰুতৰভাৱে আহত ছাত্ৰীগৰাকীৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় সকলো খৰচ ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছিল। সেইমৰ্মে যোৱা ১ জুনৰ পৰা ছাত্ৰীগৰাকীক সুস্থ কৰি তুলিবলৈ জিএমচিএইচৰ বিশেষজ্ঞ চিকিৎসকৰ দলে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছিল। কিন্তু চিকিৎসকৰ সকলো ( চাৰি পৃষ্ঠাত চাওক)

# ৰাণী বনাঞ্চলত বন্যপ্ৰাণী সুৰক্ষা আৰু হাতী-মানুহৰ সংঘাত ৰোধৰ বিশেষ প্ৰস্তুতি



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাণী বনাঞ্চলিক সংমণ্ডলৰ অধীনস্থ শুকুৰবৰীয়া বিট অফিচৰ সিদ্ধাৰ্থ সিনহাৰ নেতৃত্বত অঞ্চলটোত বন আৰু বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত এক নতুন গতি দেখিবলৈ পোৱা গৈছে। দিন-নিশাই বন সুৰক্ষাৰ কামত নিয়োজিত কৰ্তব্যপৰায়ণ বিট অফিচাৰগৰাকীয়ে এতিয়া স্থানীয় অঞ্চলটোৰ আটাইতকৈ ডাঙৰ সমস্যা 'হাতী-মানুহৰ সংঘাত' ৰোধ কৰাৰ বাবে কঁকালত টঙালি বান্ধিছে। শুকুৰবৰীয়া অঞ্চলত বন্যহস্তী আৰু মানুহৰ মাজত চলি অহা সংঘাত চিৰদিনৰ বাবে ৰোধ কৰাৰ উদ্দেশ্যে বিট অফিচাৰ সিদ্ধাৰ্থ সিনহাই এক গুৰুত্বপূৰ্ণ আঁচনি হাতত লৈছে। অঞ্চলটোত সৌৰ শক্তি চালিত বেৰ নিৰ্মাণৰ বাবে তেওঁ ইতিমধ্যে পাঞ্জাবাৰীস্থিত বনবিভাগৰ মুখ্য কাৰ্যালয়লৈ এক আনুষ্ঠানিক প্ৰস্তাৱ প্ৰেৰণ কৰিছে। আনহাতে কেৱল বনাঞ্চলেই নহয়, শুকুৰবেৰীয়া খণ্ড বন কাৰ্যালয়ৰ নিজা চৌহদটো বন্যপ্ৰাণীৰ আক্ৰমণৰ পৰা সুৰক্ষিত কৰিবলৈ তাতো পকী বেৰ নিৰ্মাণৰ এক সুকীয়া প্ৰস্তাৱ বিট অফিচাৰগৰাকীয়ে উৰ্দ্ধতম কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিছে। স্থানীয় ৰাইজৰ মতে, সিদ্ধাৰ্থ সিনহাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা শুকুৰবৰীয়া বিট অফিচৰ অধীনস্থ বনাঞ্চলসমূহত অবৈধ বেদখল আৰু গছ কটা কাৰ্য বহুখিনি হ্ৰাস পাইছে। দিনৰ ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত যুটীয়া অভিযানত ৬৫ বস্তা গুটখা কঢ়িয়াই নিয়া ট্ৰাক জব্দ




ৰঙিলী বাৰ্ত্তাসেৱা- অবৈধ সামগ্ৰী সৰবৰাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ অংশ হিচাপে ডিব্ৰুগড়ত নিৰ্বাচনী বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশ প্ৰাঞ্জিল গগৈৰ নেতৃত্বত ৰাজ্যিক জিএছটি বিভাগৰ দল আৰু গাভৰুপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সহযোগিতাত এক যুটীয়া অভিযান চলোৱা হয়। অভিযানকালত পূব বানীপুৰৰ সমীপত ৬৫ বস্তা "চিগনেচাৰ" ব্ৰেণ্ডৰ গুটখা কঢ়িয়াই নিয়া এখন ট্ৰাক আটক কৰি তালাচী চলোৱা হয়। তদন্তত পোহৰলৈ আহে যে গুটখাখিনি কোনো বৈধ জিএছটি ই-ৱে বিল অবিহনে সৰবৰাহ কৰা হৈছিল। ইয়াৰ পিছতে, অবৈধ সামগ্ৰীসহ ট্ৰাকখন তাৎক্ষণিকভাৱে জব্দ কৰা হয়। ঘটনাটোৰ সৈতে জড়িত সংশ্লিষ্ট পক্ষসমূহৰ বিৰুদ্ধে প্ৰযোজ্য আইনৰ ধাৰাসমূহ অনুসৰি আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# ভাৰতৰ ই-২০ পেট্ৰ'ল

ভুটানৰ তৰফৰ পৰা জনোৱা হৈছে যে সাধাৰণ পেট্ৰ'লেই দিয়া হওক তেওঁলোকক। জানিব পৰা মতে, ই-২০ পেট্ৰ'লক লৈ ভাৰতৰ ভিতৰত যিবোৰ অভিযোগ উঠিছে, তাকে লৈ যথেষ্ট সতৰ্ক ভুটান। সেই কথা মনত ৰাখিয়েই ভাৰতৰ প্ৰস্তাৱ খাৰিজ কৰা হৈছে। ভুটানৰ সংবাদ মাধ্যমৰ সূত্ৰই জনাইছে যে দেশখনৰ বেছিভাগেই পাৰ্বত্য অঞ্চল। ফলত দেশখনত পথবোৰ প্ৰায়েই ওখ-চাপৰ। ইফালে ভাৰতত এই পেট্ৰ'লক লৈ ব্যাপক বিতৰ্ক আৰম্ভ হৈছে। অভিযোগ উঠিছে যে ই-২০ পেট্ৰ'লে যান-বাহনৰ ক্ষতিসাধন কৰিছে। সৰ্বত্ৰ এনে অভিযোগ উঠাত এতিয়া চাপত পৰিছে ভাৰত চৰকাৰ। এনে অৱস্থাত ভুটানৰ দাবী যে যিহেতু তেওঁলোকৰ দেশখন পাহাৰেৰে ভৰা, সেয়েহে পাৰ্বত্য অঞ্চলত চলাচলৰ বাবে যান-বাহনত বেছি মাইলেজৰ প্ৰয়োজন। ফলত, ই-২০ পেট্ৰ'লক লৈ যি অভিযোগ উঠিছে সেয়া সত্য প্ৰমাণিত হ'লে সমস্যা বাঢ়িব। প্ৰতিৱেশী দেশ ভুটানে নিজৰ চাহিদাৰ সমস্ত ইন্ধন ভাৰতৰ পৰাই কিনে। এনে অৱস্থাত ভুটানৰ দাবী যে ই-২০ পেট্ৰ'ল কেৱল যান-বাহনৰ মাইলেজৰ ক্ষেত্ৰতে সমস্যাৰ সৃষ্টি কৰা নাই, বৰং অন্যান্য সমস্যাৰো সৃষ্টি কৰিছে। সংবাদ মাধ্যমৰ প্ৰতিবেদন মতে, ভুটানে ভাৰতৰ পৰা তেল কিনি ভূগৰ্ভস্থ টেংকত সংৰক্ষণ কৰে। দেশখনৰ এগৰাকী বিষয়াই কয় যে এই টেংকসমূহত ই-২০ পেট্ৰ'ল সংৰক্ষণ কৰা হ'লে পানী মিহলি হৈ পৰাৰ আশংকা থাকিব। ভুটানৰ সংবাদ-পত্ৰত কোৱা হৈছে যে ভূগৰ্ভস্থ টেংকসমূহ ইথানল মিশ্ৰিত পেট্ৰ'ল সংৰক্ষণৰ বাবে উপযুক্ত নহয়। সেইবাবে এই পেট্ৰ'ল তেওঁলোকে নিকিনে। উল্লেখ্য যে ই-২০ বা ইথানল মিশ্ৰিত পেট্ৰ'লত সাধাৰণ পেট্ৰ'লতকৈ অধিক হাইড্ৰ'লিক্ গ্ৰুপ থাকে। ইয়াৰ ফলত ই চাৰিওফালৰ আৰ্দ্ৰতা সহজে শোষণ কৰে। সেইবাবে এই টেংকসমূহত পেট্ৰ'ল সংৰক্ষণ কৰিলে পানী মিহলি হৈ পৰাৰ আশংকা বৃদ্ধি পায়। সেইটোৱেই মূল সমস্যা বুলি জনোৱা হৈছে ভুটানৰ তৰফৰ পৰা। লগতে কোৱা হৈছে যে ভাৰত চৰকাৰে ভুটানক নতুন টেংক সৰবৰাহৰ বিষয়টো বিবেচনা কৰাৰ বাবে অনুৰোধ জনাইছে। উল্লেখ্য যে, ভাৰতত ই-২০ পেট্ৰ'ল হৈছে ২০ শতাংশ ইথানল আৰু ৮০ শতাংশ পেট্ৰ'লৰ সংমিশ্ৰণ। কেন্দ্ৰীয় চৰকাৰে পৰ্যায়ক্ৰমে ইয়াৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু ২০২৩ চনৰ পূৰ্বে নিৰ্মিত বহু পেট্ৰ'লচালিত বাহনৰ মালিকে ই-২০ ব্যৱহাৰৰ ফলত ইন্ধন দক্ষতা হ্ৰাস, ৰক্ষণাবেক্ষণ ব্যয় বৃদ্ধি আৰু ইঞ্জিনৰ ক্ষয়-ক্ষতি বৃদ্ধি পোৱাৰ অভিযোগ উত্থাপন কৰিছে।

# বৰপথাৰত নিৰুদ্দেশ পত্নীসহ দুই পুত্ৰ সন্তান



ৰঙিলী বাৰ্ত্তাসেৱা- গোলাঘাটৰ সৰুপথাৰ সমজিলাৰ বৰপথাৰ থানাৰ অন্তৰ্গত ৰাধাকৃষ্ণ চাহ বাগানৰ বাসিন্দা চিনা তাঁতী (২৮) আৰু তেওঁৰ দুই পুত্ৰ সন্তান-নিৰৱ তাঁতী (৭) আৰু বিশ্বৰাজ তাঁতী (৩) -যোৱা ১৪ জুনৰ পৰা ৰহস্যজনকভাৱে নিৰুদ্দেশ হৈ আছে। ঘটনাটোক কেন্দ্ৰ কৰি পৰিয়াল, আত্মীয়-স্বজনৰ লগতে সমগ্ৰ অঞ্চলটোত গভীৰ উদ্বেগৰ সৃষ্টি হৈছে। পৰিয়ালৰ তথ্য অনুসৰি, ১৪ জুনৰ পুৱা প্ৰায় ১০ বজাত চিনা তাঁতী তেওঁৰ দুই পুত্ৰক লগত লৈ বৰপথাত অনুষ্ঠিত এটি চকু চিকিৎসা শিবিৰলৈ চিকিৎসাৰ উদ্দেশ্যে গৈছিল। সেইদিনা সন্ধিয়া প্ৰায় ৫ বজাত তেওঁলোকে ফোনযোগে ঘৰলৈ উভতি অহাৰ কথা পৰিয়ালক জনাইছিল। কিন্তু তাৰ কিছু সময়ৰ পিছতেই ফোন সংযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ যায়। সেই মুহূৰ্তৰ পৰাই তেওঁলোকৰ সৈতে আৰু কোনো ধৰণৰ যোগাযোগ

# পান-ভোটাৰ কাৰ্ড নাগৰিকত্বৰ প্ৰমাণ নহয়



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী উচ্চ নঞ্জয়ালয়ে এক গুৰুত্বপূৰ্ণ ৰায় দিয়ে । এই ৰায় অনুসৰি পান কাৰ্ড-ভোটাৰ পৰিচয় পত্ৰৰ দৰে নথি স্বাধীনভাৱে ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণ নহয়। ইয়াৰ সমান্তৰালভাৱে ‘এভিডেঞ্চ এক্ট-১৯৭২’ৰ ৬৫-বি ধাৰাৰ অধীনত প্ৰয়োজনীয় প্ৰমাণ-পত্ৰ অবিহনে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এনআৰচি) ৰ কম্পিউটাৰ জেনেৰেটেড লিগেচী ডাটাৰ কোনো সাক্ষ্যমূল্য নাই। বিদেশী ন্যায়াধিকৰণৰ এটা সিদ্ধান্ত সন্দৰ্ভত মন্তব্য কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে গুৰুত্বপূৰ্ণ ৰায় দিয়ে। ন্যায়াধীশ কল্যাণ ৰায় ছুৰানা আৰু ন্যায়াধীশ শ্বামিমা জাহানৰ দুজনীয়া খণ্ড বিচাৰপীঠে অতি স্পষ্টভাৱে কয় যে ইলেক্ট্ৰ’নিক নথিপত্ৰ প্ৰমাণৰ বাবে ‘এভিডেঞ্চ এক্ট-১৯৭২’ৰ ৬৫-বি ধাৰাৰ অধীনত প্ৰয়োজনীয় প্ৰমাণ-পত্ৰ নাথাকিলে কম্পিউটাৰ জেনেৰেটেড এন আৰ চিৰ লিগেচী ডাটাৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি। অৱশ্যে পূৰ্বপুৰুষৰ নামৰ বানানত সামান্য পাৰ্থক্য থাকিলে নাগৰিকত্বৰ দাবীক বাতিল নকৰিবও পৰা যায়। কিন্তু

# দিল্লীত ৪গৰাকী মন্ত্ৰীক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ উন্নয়নৰ একাধিক গুৰুত্বপূৰ্ণ বিষয় লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুক সাক্ষাৎ কৰি ৰাজ্যৰ বিমান যোগাযোগৰ সন্দৰ্ভত আলোচনাত মিলিত হোৱাৰ উপৰি কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৰ সৈতে অসমৰ বান পৰিস্থিতি সন্দৰ্ভত, কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙৰ সৈতে ৰাজ্যৰ মীন পালন, পশুপালন আৰু দুগ্ধ উন্নয়ন বিষয়ত, কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি, ৰে’ল, ইলেক্ট্ৰনিক্স মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ লগত ৰে’ল যোগাযোগ আৰু ছেমি কণ্ডাক্টৰৰ সন্দৰ্ভত আলোচনা কৰে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰীগৰাকীৰে হোৱা সাক্ষাৎকালতে অসমক পূব ভাৰতৰ এক গুৰুত্বপূৰ্ণ বিমান আৰু বাণিজ্য কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে শিলচৰ, মানস, উমৰাংছ’, মাজুলী, ডিফু আৰু চৰাইদেউৰ প্ৰস্তাৱিত ৬টা গ্ৰীনফিল্ড বিমানবন্দৰ আৰু হাফলঙত হেলিপ’ৰ্ট স্থাপনৰ অগ্ৰগতিক লৈ আলোচনা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি শিলচৰৰ প্ৰস্তাৱিত গ্ৰীনফিল্ড বিমানবন্দৰৰ প্ৰাৰম্ভিক কাম ইতিমধ্যে অসম চৰকাৰে সম্পূৰ্ণ কৰি উলিয়াইছে। এই প্ৰকল্পটোৰ অনুমোদন প্ৰক্ৰিয়া খৰতকীয়া কৰিবলৈ কেন্দ্ৰীয় অসামৰিক মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীৰ এই সাক্ষাৎকালতে কেন্দ্ৰীয়



মন্ত্ৰীগৰাকীয়ে প্ৰস্তাৱিত বিমানবন্দৰসমূহৰ প্ৰাক্ সম্ভাৱনীয়তা অধ্যয়ন কৰি কাম খৰতকীয়া কৰিবলৈ সন্মতি প্ৰকাশ কৰে। এই বৈঠকত পশ্চিম অসমৰ গুৰুত্বপূৰ্ণ ৰূপসী বিমানবন্দৰৰ চলি থকা সম্প্ৰসাৰণৰ আঁচনিৰো পৰ্যালোচনা হয়। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা মতে এই প্ৰকল্পসমূহে কেৱল যোগাযোগ ব্যৱস্থাই উন্নত কৰা নহয়, অৰ্থনৈতিক সুযোগ সৃষ্টি, পৰ্যটনৰ বিকাশ আৰু দীৰ্ঘকালীন উন্নয়নত বিশেষভাৱে অৰিহণা যোগাব। এই বৈঠকত অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ সচিব সমীৰ কুমাৰ সিন্‌হা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব কে কে দ্বিবেদী, অসম ভৱনৰ আৱাসিক আয়ুক্ত কবিতা পদ্মনাভন আৰু সংশ্লিষ্ট মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে এই সাক্ষাতৰ কথা উল্লেখ কৰি প্ৰকাশ কৰিছে যে কেন্দ্ৰীয় অসামৰিক মন্ত্ৰীৰ সৈতে আজি এক ফলপ্ৰসূ বৈঠকত মিলিত হৈ অসমৰ বিমান যোগাযোগ আৰু ল’জিষ্টিক খণ্ডৰ ভৱিষ্যৎ পৰিকল্পনা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হ’ল। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুক সাক্ষাৎ কৰি ৰাজ্যৰ শেহতীয়া বান

( পাঁচ পৃষ্ঠাত চাওক)

# অৱশেষত জীৱন যুঁজত

প্ৰচেষ্টা বিফল কৰি ৩৩ দিনৰ অন্তত জীৱন-মৃত্যুৰ সৈতে যুঁজি হাৰ মানিলে দুৰ্ভগীয়া মৃদুমুদ্ৰা ডেকা। ছাত্ৰীগৰাকীৰ মৃত্যুৰ পিছত এই সন্দৰ্ভত জিএমচিএইচৰ তৰফৰ পৰা নলবাৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস আৰু নলবাৰী সদৰ এছডিঅ’ক অৱগত কৰা হয়। তাৰ পিছতেই নলবাৰী আৰক্ষীৰ উপস্থিতিত ছাত্ৰীগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। বিয়লি প্ৰায় ৪.৩০ বজাত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছতেই মৃতদেহ পৰিয়ালৰ হাতত চমজাই দিয়া হয়। তাৰ পিছতে মৃতদেহ নলবাৰী জিলাৰ গংগাপুৰস্থিত ঘৰলৈ নিয়া হয়। মেধাৱী ছাত্ৰীগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছতেই সমগ্ৰ নলবাৰী জিলাৰ লগতে জন্মস্থান গংগাপুৰত শোকাকুল পৰিস্থিতিৰ সৃষ্টি হয়। মেধাৱী ছাত্ৰীগৰাকীৰ মৃত্যুত সমগ্ৰ গাঁওবাসী শোকত ম্ৰিয়মাণ হৈ পৰিছে। মৃতদেহ সন্ধিয়া ঘৰ আহি পোৱাৰ পাছতে শোকাকুল পৰিস্থিতিৰ সৃষ্টি হয়। শেষবাৰৰ বাবে কান্দি কান্দি শ্ৰদ্ধাঞ্জলি জনাই সহপাঠীসকলে। নিশাৰ ভাগত আৰক্ষীৰ কটকটীয়া নিৰাপত্তা বেষ্টনীৰে মৃদুমূদ্ৰাৰ শেষকৃত্য সম্পন্ন কৰা হয় । স্বাভাৱিকতেই ছাত্ৰীগৰাকীৰ অকাল আৰু এনে দুৰ্ভাগ্যজনক মৃত্যুৰ বাবে স্থানীয় লোক তথা পৰিয়াল শোকত ম্ৰিয়মাণ হৈ থকাৰ লগতে যথেষ্ঠ আৱেগিকো হৈ আছে। তেনে পৰিপ্ৰেক্ষিতত যাতে কোনো বিক্ষিপ্ত ঘটনা সংঘটিত নহয় তাৰ প্ৰতিও চোকা দৃষ্টি ৰাখিবলগীয়া হয় আৰক্ষীয়ে। সষ্টম হৈ থাকে আৰক্ষী বাহিনীও। নিজৰ গৃহৰেই এডৰা ভূমিত মৃদুমূদ্ৰাৰ শেষকৃত্য সম্পন্ন কৰে আত্মীয় আৰু গাওবাসীয়ে ।

# দক্ষিণ কামৰূপত বিশিষ্ট সাহিত্যিক শচীন্দ্ৰ কুমাৰ দাসৰ নতুন কবিতা ‘নিস্বাৰ্থ প্ৰেম’ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- দক্ষিণ কামৰূপৰ পলাশবাৰীৰ বিশিষ্ট সাহিত্যিক, লেখক তথা সমাজকৰ্মী শচীন্দ্ৰ কুমাৰ দাসৰ নতুন কবিতা ‘নিস্বাৰ্থ প্ৰেম’ অলপতে আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। অঞ্চলটোৰ পৰিচিত জ্যোতিষী তথা বিশিষ্ট সমাজসেৱক অপূৰ্ব দেৱ শৰ্মাৰ জীৱন আৰু মহানুভৱতাৰ আধাৰত কবি শচীন্দ্ৰ কুমাৰ দাসে এই বিশেষ কবিতাটি ৰচনা কৰিছে। উল্লেখ্য যে, দখলাস্থিত ‘বিনাপানী জ্যোতিষ কাৰ্যালয়’ৰ স্বত্বাধিকাৰী তথা বি.আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ সমাজহিতৈষী কাৰ্যকলাপ আৰু মানৱীয় গুণৰাজিয়ে কবি শচীন্দ্ৰ কুমাৰ দাসক গভীৰভাৱে আকৃষ্ট কৰিছিল। ইয়াৰেই ফচল হিচাপে কবিয়ে তেওঁৰ জীৱনক প্ৰতিফলিত কৰি ‘নিশ্বাৰ্থ প্ৰেম’ শীৰ্ষক কবিতাটো সৃষ্টি কৰে। যোৱা ২ জুলাই বৃহস্পতিবাৰে সন্ধিয়া বিনাপানী জ্যোতিষ কাৰ্যালয়ৰ প্ৰাংগণতে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত কবিতাটি উন্মোচন কৰা হয়। কাৰ্যালয়টোৰ স্বত্বাধিকাৰী অপূৰ্ব দেৱ শৰ্মাৰ উপস্থিতিত কবিতাটি উন্মোচন কৰে স্বয়ং লেখক, কবি, সাহিত্যিক শচীন্দ্ৰ কুমাৰ দাসে। উক্ত উন্মোচনী অনুষ্ঠানত বিশিষ্ট কবি, সাহিত্যিক তথা সাংবাদিক শৈলেন কুমাৰে কবিতাটি সাৱলীলভাৱে পাঠ কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। এই অনুষ্ঠানত অঞ্চলটোৰ কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# জোনাই-ধেমাজিৰ বানাক্ৰান্তৰ কাষত কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং-কিৰেণ ৰিজিজু



ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ দুই কেবিনেট মন্ত্ৰী অতুল বৰা আৰু ডাঃ ৰণোজ পেগুক লগত লৈ বুধবাৰে বানবিধ্বস্ত জোনাইৰ ভিন্ন অঞ্চল পৰিদৰ্শন কৰিলে কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু কিৰেণ ৰিজিজুৱে। দিখাৰী নৈৰ বানে ধ্বংসস্তূপত পৰিণত কৰা জোনাই সমষ্টিৰ আটাইতকৈ অধিক ক্ষতিগ্ৰস্ত অঞ্চল অৰুণ চাপৰি আৰু মধুপুৰ, লোহিতপুৰীয়া, ছিকেৰ, চেলেক অঞ্চলত উপস্থিত হৈ কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু সংসদীয় পৰিক্ৰমা আৰু সংখ্যালঘু পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে বানবিধ্বস্ত অঞ্চলৰ পৰিস্থিতিৰ বুজ লয়। একেদৰে দুয়োগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে চিমেন চাপৰিৰ চিমেন নদীৰ প্ৰবল সোঁতত ভাগি পৰা ৰে'ল দলং পৰিদৰ্শন কৰে। ইয়াৰ পাছতে মন্ত্ৰী দুগৰাকীয়ে জোনাই ৰাজহ চক্ৰৰ তেলাম গাঁও পঞ্চায়তৰ অন্তৰ্গত অৰুণ চাপৰি আৰু মিছামৰা গাঁও পঞ্চায়তৰ মধুপুৰ অঞ্চল পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰী দুগৰাকীয়ে চিচিবৰগাঁও সমষ্টিৰ কেইবাটাও অঞ্চল পৰিদৰ্শন কৰি বন্যাৰ্তসকলৰ দুৰ্দশাৰ বুজ লয়। বন্যাৰ্তৰ সৈতে মত বিনিময় কৰি কেন্দ্ৰীয় মন্ত্ৰী দুগৰাকীয়ে খোৱাপানীৰ সমস্যা, ৰাস্তা-ঘাট, বানত ক্ষতিগ্ৰস্ত হোৱা খেতিপথাৰ আদিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে। বানাক্ৰান্ত অঞ্চলৰ ( নপৃষ্ঠাত চাওক)

# হ্ৰাস পালে বাণিজ্যিক গেছৰ চিলিণ্ডাৰৰ মূল্য




ৰঙিলী বাৰ্তাসেৱা- জুলাই মাহৰ প্ৰথম দিনটোতে গ্ৰাহকৰ বাবে আহিল এক ভাল খবৰ । হ্ৰাস পালে বাণিজ্যিক গেছৰ চিলিণ্ডাৰৰ মূল্য । বিগত সময়ছোৱাত ব্যাপকভাৱে দাম বৃদ্ধি কৰাৰ পাছত ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ বাণিজ্যিক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ১৮৩.৫০ টকালৈ হ্ৰাস কৰা হৈছে। মাহৰ আৰম্ভণিতে ৰন্ধন গেছৰ দাম ঘোষণা কৰা হয়। আন্তঃৰাষ্ট্ৰীয় বজাৰৰ উঠা-নমাৰ ওপৰত এই দাম নিৰ্ভৰ কৰে। কেতিয়াবা বঢ়োৱা হয়, কেতিয়াবা কমোৱা হয়। পিছে যোৱা কেইবামাহো ধৰি একেৰাহে বৃদ্ধি পাইছিল বাণিজ্যিক গেছৰ চিলিণ্ডাৰৰ দাম। প্ৰকাশিত তথ্য মতে, ( নপৃষ্ঠাত চাওক)

# পত্নীৰ হাতত তুলি দিলে জুবিন গাৰ্গৰ সম্পত্তিৰ প্ৰমাণ-পত্ৰ


ৰঙিলী বাৰ্তাসেৱা- বুধবাৰে পুনৰ উচুপি উঠিল গৰিমা শইকীয়া গাৰ্গ। বুধবাৰে জুবিন গাৰ্গৰ উত্তৰাধিকাৰী হিচাপে পত্নী গৰিমা শইকীয়া গাৰ্গক আইনীভাৱে স্বীকৃতি দি প্ৰমাণ-পত্ৰ প্ৰদান কৰে আদালতে । আচলতে সময়বোৰ কেতিয়াবা কেতিয়াবা বৰ নিষ্ঠুৰ হৈ পৰে। জুবিন গাৰ্গ আমাৰ মাজৰ পৰা নোহোৱা হোৱা আজি ১০ টা মাহে হ'বৰ হ'ল। বিশেষ আদালতত চলি আছে জুবিন হত্যাৰ বিচাৰ প্ৰক্ৰিয়া। প্ৰায় প্ৰতিদিনে চলি আছে জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ শুনানি পৰ্ব। উল্লেখ্য যে শিল্পীগৰাকীৰ মহাপ্ৰয়াণৰ পিছত তেওঁৰ উত্তৰাধিকাৰী প্ৰমাণ-পত্ৰ আনুষ্ঠানিকভাৱে কামৰূপ মহানগৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতৰ নিৰ্দেশত শিল্পীপত্নী গৰিমা গাৰ্গক প্ৰদান কৰা হয়। ইয়াৰ লগে লগে জুবিন গাৰ্গৰ আৰ্থিক সম্পত্তি তথা জুবিন গাৰ্গৰ বেংকত জমা থকা সকলোবোৰ ধনৰ স্বত্ব গৰিমা শইকীয়া গাৰ্গলৈ হস্তান্তৰৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ল। বুধবাৰে আদালতৰ পৰা হস্তান্তৰৰ প্ৰমাণ-পত্ৰ গ্ৰহণ কৰে গৰিমা শইকীয়া গাৰ্গে। হস্তান্তৰৰ প্ৰমাণ-পত্ৰ গ্ৰহণ কৰি আদালত চৌহদত উচুপি উঠে গৰিমা শইকীয়া গাৰ্গ। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত যথেষ্ট ( নপৃষ্ঠাত চাওক)

# মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ 'প্ৰবন্ধ-প্ৰস্ৰৱণ' উন্মোচন



ৰঙিলী বাৰ্তাসেৱা- মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক, কবি ড° দেৱজিৎ শইকীয়াৰ নিৰ্বাচিত লেখাৰ সংকলন 'প্ৰবন্ধ-প্ৰস্ৰৱণ' মহাবিদ্যালয়ৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষত অনুষ্ঠিত এখনি গাম্ভীৰ্যপূৰ্ণ সভাত শুভ উন্মোচন কৰা হয়। ছখন কাব্যগ্ৰন্থ, কেইবাখনো মৌলিক পুথিৰ উপৰি ভালেসংখ্যক সম্পাদিত পুথিৰে সাহিত্য জগতলৈ বৰঙণি আগবঢ়োৱা অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ এই গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে। মাজুলী মহাবিদ্যালয় কৰ্মচাৰী গোটৰ উদ্যোগত এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই। কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱাই আঁত ধৰা সভাখনিৰ আৰম্ভণিতে পৰী বৰা ৰাজখোৱাৰ দ্বাৰা পৰিৱেশিত দীপবন্দনাৰ সমান্তৰালভাৱে মংগল-বন্তি প্ৰজ্বলন কৰে নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ ( নপৃষ্ঠাত চাওক)

# পেট্ৰ'লৰ-ডিজেলৰ মূল্য হ্ৰাস




ৰঙিলী বাৰ্তাসেৱা- পশ্চিম এছিয়াত শেহতীয়াভাৱে উত্তেজনা হ্ৰাস হোৱাৰ লগে লগে আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য নিয়ন্ত্ৰণলৈ আহিছে। আন্তঃৰাষ্ট্ৰীয় বজাৰত দাম কমাৰ পিছতে দেশত পেট্ৰ'ল, ডিজেলৰ দাম কমালে দেশখনৰ অন্যতম বৃহৎ বেচৰকাৰী ইন্ধন সংস্থা নায়াৰা এনাৰ্জীয়ে। বুধবাৰৰ পৰা তেওঁলোকে প্ৰতি লিটাৰ পেট্ৰ'লৰ দাম ৫ টকাকৈ আৰু ডিজেলৰ দাম ৩ টকাকৈ কমাইছে। যোৱা দুবছৰৰো বেছি সময়ৰ ভিতৰত কোনো এটা ইন্ধন সংস্থাই এয়াই প্ৰথমবাৰৰ বাবে খুচুৰা বজাৰত পেট্ৰ'ল, ডিজেলৰ দাম কমালে। ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে পেট্ৰ'ল, ডিজেলৰ দাম কমোৱাৰ কথা ঘোষণা কৰিলেও ইণ্ডিয়ান অইল, ভাৰত পেট্ৰ'লিয়াম আৰু হিন্দুস্তান পেট্ৰ'লিয়ামৰ দৰে ৰাজহুৱা খণ্ডৰ ইন্ধন সংস্থাসমূহত পেট্ৰ'ল, ডিজেলৰ দাম অপৰিৱৰ্তিত হৈয়েই আছে। নায়াৰাই ইন্ধনৰ দাম কমোৱাৰ পিছতে সাধাৰণ নাগৰিকৰ বহুতেই আশা প্ৰকাশ কৰিছে যে হয়তো ৰাজহুৱা খণ্ডৰ সংস্থাসমূহেও এনে পদক্ষেপ গ্ৰহণ কৰিব। উল্লেখ্য যে, পশ্চিম এছিয়াত সংঘাত হ্ৰাস পোৱাৰ সমান্তৰালভাৱে এক গুৰুত্বপূৰ্ণ সামুদ্ৰিক পথ পুনৰ মুকলি হৈছে। ইয়াৰ ফলত খাৰুৱা তেল আৰু তৰলীকৃত প্ৰাকৃতিক গেছৰ সৰবৰাহ স্বাভাৱিক হৈ পৰিছে আৰু যোগান ব্যাহত ( নপৃষ্ঠাত চাওক)

# দিল্লীত ৪গৰাকী মন্ত্ৰীক সাক্ষাৎ

পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। এই সাক্ষাতৰ সময়তে বান পৰিস্থিতিৰ মোকাবিলাৰ বাবে মুখ্যমন্ত্ৰীক কেইবাটাও বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে হোৱা বৈঠকত অসমৰ সাম্প্ৰতিক বান পৰিস্থিতি, বান সাহায্য আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপন তথা উদ্ধাৰ অভিযান সন্দৰ্ভতো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই সাক্ষাতৰ পাছতে উল্লেখ কৰে যে ডাবল ইঞ্জিন চৰকাৰে বানত ক্ষতিগ্ৰস্ত হোৱা সকলোৰে জীৱিকা পুনৰুদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ কাৰ্যসূচী অধিক ক্ষিপ্ৰ কৰি তুলিব। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উন্নয়ন মন্ত্ৰী ৰাজীৱ ৰঞ্জন (লালন সিং) সিংক তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি ৰাজ্যৰ মীন আৰু দুগ্ধ খণ্ডৰ প্ৰচুৰ সম্ভাৱনাক লৈ এক বিস্তৃত আলোচনাত মিলিত হয়। অসমক দেশৰ প্ৰধান মাছ উৎপাদনকাৰী আৰু ৰপ্তানিৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে এই প্ৰসংগত উল্লেখ কৰে যে মাছৰ উৎপাদন বৃদ্ধিৰ লগতে প্ৰক্ৰিয়াকৰণ আন্তঃগাঁথনিৰ শক্তিশালীকৰণ, মূল্য শৃংখল উন্নয়ন আৰু বজাৰ সংযোগ সুদৃঢ় কৰা তথা ৰপ্তানি প্ৰক্ৰিয়াক উদগনি যোগোৱাৰ ওপৰত এই বৈঠকত আলোচনা কৰা হয়। তদুপৰি উন্নত পশু চিকিৎসা সেৱা, পশু ঔষধি কেন্দ্ৰ স্থাপন, টেট্ৰাপেক আৰু মিল্ক পাউডাৰ প্ৰকল্প স্থাপন, কৃত্ৰিম প্ৰজননৰ জৰিয়তে গৰুৰ জাত উন্নয়নৰ দৰে পদক্ষেপেৰে অসমৰ দুগ্ধ সমবায় খণ্ডক অধিক শক্তিশালী কৰাৰ বিষয়েও আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱকো সাক্ষাৎ কৰে। এই আলোচনাকালত ৰাজ্যত ৰে'ল সংযোগ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে লংকা-উমৰাংছ'ৰ মাজত নতুন ৰে'লপথ স্থাপন আৰু ভাৰত-ভুটান ৰে'ল প্ৰকল্প শীঘ্ৰে ৰূপায়ণৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়।

# সময়ক যিয়ে বুজি পাই সেইজনৰ বিপদ কেতিয়াও নহয়



**অমিয়া বেগম**

সময় হৈছে আটাইতকৈ দামী বস্তু, আমি সময় কেতিয়াও নষ্ট কৰিব নালাগে। আমাৰ সকলোৰে হাতত ২৪ ঘণ্টা সময় থাকে, কিন্তু সময়ক পৰিচালনা কৰাটোহে অতি গুৰুত্বপূৰ্ণ কথা। সঠিক সময়ত আমি সকলো কাম কৰাৰ ক্ষমতা আমাৰ নিজৰ হাতত থাকে কিন্তু ব্যৱহাৰ কৰাটো নিজৰ। যোৱা সময় কেতিয়াও ঘূৰি নাহে, গতিকে বৰ্তমানক সদ্ব্যৱহাৰ কৰাটো অতি দৰকাৰ।

সুস্থ আৰু সফল জীৱনৰ বাবে সময়ানুবৰ্তিতা অপৰিহাৰ্য। সময়ৰ যত্ন ললেহে সময়ে আমাৰ যত্ন ল'ব। আমাৰ হাতত যেতিয়া সময় মজুত থাকে তেতিয়া আমি সিদ্ধান্ত ল'ব লাগে। কাৰণ সময়ক আমি সলনি কৰিব নোৱাৰো, সময় ৰৈ নাথাকে। কিন্তু সিদ্ধান্তক সলনি পৰা যায়। সময়ক সৎ ব্যৱহাৰ কৰি চলিলে সকলো কাম অতি সহজতে সমাধান কৰিব পাৰি।

যদি সঠিক ভাৱে সময় ব্যৱহাৰ কৰিব পৰা নাযায়, শিক্ষাৰ ক্ষেত্ৰতো কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সময়ৰ অভাৱত ভালদৰে পঢ়া-শুনা কৰিব নোৱাৰা বুলি শুনিবলৈ পাওঁ। সময় কিন্তু আমাৰ নিজৰ হাতত, তাক ব্যৱহাৰ কৰিব জনাটো হে প্ৰধান কাম। তেনে ক্ষেত্ৰত ডায়েৰী এখন লৈ প্ৰতিদিনে কোনটো কাম কিমান সময় কটোৱা হয়, সেইমতে মানি চলিলে আমি নিশ্চয় উপকৃত হ'ব পৰা যাব। আমি অদৰকাৰী কামত কেতিয়াও সময় নষ্ট কৰিব নালাগে, কাৰণ আমাৰ প্ৰত্যেক জন মানুহৰ নিজৰ নিজৰ দক্ষতা আছে। আমি সময়বোৰ অৱাবত ক'ত ক'ত খৰছ কৰি আছোঁ সেইটোৰ প্ৰতি লক্ষ্য ৰাখি সময়ৰ ব্যৱহাৰ জানিব লাগিব। আজি যদি কাম এটা কৰিব লাগিছিল, সেই কামটো যদি এলাহ কৰি কালি কৰিব বা সময় আছে পিছত কৰিম বুলি ৰৈ থাকো তেতিয়া হ'লে সময়ত কেতিয়াও কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিম।

গতিকে আমি সদায় সঠিকভাৱে সময় ব্যৱহাৰ কৰি ভাবি চিন্তি কাম কৰিলে কেতিয়াও বিপদত পৰিব লগা নহয়। সময় আমাৰ বাবে ৰৈ নাথাকে, আমি নিজেই সময়ৰ সৈতে সলনি হৈ গৈ থাকিব লাগিব।

# সন্তানৰ বাবে ভৌতিক সম্পদ নহয় অভিভাৱক সকলে সন্তানক মানৱ সম্পদ হিচাপে গঢ়ি তুলিব লাগে



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

হয়, ধৰাখন সুন্দৰ কৰি ৰাখিবলৈ মানৱ সম্পদৰ ওপৰত গুৰুত্ব দিব লাগিব। কাৰণ আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক হ'ব। গতিকে সেই সম্পদক বেছি গুৰুত্ব দিব লাগিব, কাৰণ মানৱ সম্পদ ঠিকে নাথাকিলে ভৌতিক সম্পদৰ কোনো মূল্য নাই। অভিভাৱক সকলক দেখিছোঁ সন্তানৰ কাৰণে এসোপা ধন, মাটি বাৰী সম্পদ আহৰণ কৰিলেই দায়িত্ব শেষ বুলি ভাবে। যদি সন্তান সু-চৰিত্ৰ বান হিচাপে গঢ়ি তুলিব নোৱাৰে সেই সম্পদ অমূল্য হীন। সন্তান যদি অসৎ চৰিত্ৰৰ হয়, সেই সকলো সম্পদ ধ্বংশ কৰাই নহয় তাৰ জীৱনো অন্ধকাৰ দিশত গতি কৰিব পাৰে।

গতিকে অভিভাৱক সকলে সন্তানৰ কাৰণে সম্পদ আহৰণৰ ওপৰত গুৰুত্ব দিয়াতকৈ সন্তানক সম্পদ হিচাপে গঢ়ি তুলিব লাগিব। তাৰ কাৰণে অভিভাৱকে সন্তানক সু-পৰিকল্পিত ভাবে মৰম আৰু বন্ধুত্বৰে সিহঁতক তদাৰক কৰিব লাগিব। কোমল বাঁহ ডাল ভাঁজ নোখোৱাকৈ সময়ত যাতে উপযুক্ত এডাল পৰিপক্ক বাঁহৰ সৃষ্টি হয় তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। তেতিয়াহে সেই সন্তান মানৱ সম্পদ হিচাপে সমাজত নিজৰ প্ৰতিচ্ছবি ডাঙি ধৰিব পাৰিব। তেতিয়া সমাজ আৰু দেশ প্ৰগতিৰ পথত আগুৱাই যোৱাত সহায় কৰিব। কাৰণ ব্যক্তিৰ পৰাহে সমাজৰ সৃষ্টি হয়।

# এগৰাকী কৃষকৰ জীৱন গাঁথা

**হৰেন কপ্তাক**



মানুহজনৰ কান্ধত কোৰ
পিঠিত ফটা বনিয়ন এখন
প্ৰতিদিনে ওলমি আছিল,
মুষলধাৰ বৰষুণতো
বোকাৰ সৈতে বিলীন হৈ আছিল তেওঁ
চিকচিকীয়া কোৰত লাগি থকা
এচপৰা মাটিত দেখিছিল অলেখ সপোন
কোনোদিন দুখত ভাগি পৰা নাছিল তেওঁ
ভোক, শিক্ষা অৰ্থৰ কথাবোৰ
লুকাই আছিল, শেঁতা পৰা কঠীয়াত
মৰমৰীয়া বোকাৰ গোন্ধই
কাণ চুৱাই কৈ গৈছিল মানুহজনক
কঠীয়াবোৰ এদিন ধান হ'ব,
ধানবোৰ এদিন অৰ্থ হ'ব,
পুতেকৰ পঢ়াৰ খৰচ মাৰিব,
বংমনহঁতে বৰ মানুহটো হ'ব,
বোকাৰ ঠাইত কংক্ৰিটত খোজ দিব,
এদিন ফটা বনিয়নখনো
জিলিকি উঠিব
পুতেক আজি চুট বুট পৰিহিত বৰমানুহ,
বোৱাৰীৰ হাতত চকু চাট মাৰি ধৰা সোণৰ খাৰু
মূৰত জাপি, কান্ধত কোৰ
ফটা বনিয়ন পিন্ধা মানুহজন আজি
গৃহহীন এগৰাকী যাযাবৰী!

# সুগন্ধি এপাহ ৰজনী গন্ধা



**ৰুক্মিণী দাস শ্ৰীহাটী**

জিল মিল জোনাক ৰাতি
তৰাভৰা আকাশত দেখিলো
তোমাৰেই প্ৰতিচ্ছবি ।।
তুমি যেন চাই আছা
সৌ পাহাৰৰ জুবিটিৰ পৰা
লাজুক লাজুক চাৱনি ৰে
মোৰ হৃদয় যেন স্পৰ্শ
কৰিলা ।।
মই যেন জোনাক বীহিন
এটি আকাশৰ
পপীয়া তৰা
তুমি যেন সদ্যস্নাতা
তৰাৰ দীপ্তি শিখা ।।
মুৰ ভূমি তপ্ত বালিত
ফুলা এপাহ সুগন্ধি
ৰজনী গন্ধা
লয়লাসে আহিবানে বাৰু
মোৰ হৃদয় জুৰাবা ।।

# কোনো নিকৃষ্ট চিন্তাধাৰাই ‘জুবিন দা’ৰ অম্লান ব্যক্তিত্বক ম্লান কৰিব নোৱাৰে...


**মানসী মিশ্ৰ**



তেখেতে জন্মগ্ৰহণ কৰিছিল মানুহৰ বাবে, কাম কৰিছিল মানুহৰ বাবে। সেয়েহে মানুহক আনন্দ আৰু সুখ দিব পৰাকৈ কেৱল সৃষ্টিৰ কামকে কৰি গৈছিল। আনৰ সুখৰ বাবে, আনৰ উপকাৰৰ বাবে তেওঁ অহৰহ কাম কৰি গৈছিল। মানুহৰ প্ৰতি কিমান মৰম, চেনেহ আৰু আন্তৰিকতাৰ ভাৱ থাকিলে ইমান কম সময় পৃথিৱীত জীয়াই থাকি মানুহৰ বাবে ইমান অগণন সৃষ্টি কৰিব পাৰে। আঠত্ৰিশ হাজাৰ গান অসমৰ ৰাইজক ইমান কম সময়ৰ ভিতৰতে উপহাৰ দি যোৱাটো ইমান সহজ সাধ্য কথা হ’ব নোৱাৰে। মানুহৰ বাবে জন্ম লৈছিল, মানুহৰ বাবে কাম কৰি গৈছিল আমাৰ আদৰৰ জুবিন দাই। সেইবাবে অতি দুৰ্ভাগ্যজনক ভাৱে জুবিন দাক হেৰুৱাই কোটি কোটি মানুহ আবেগ বিহ্বল হৈ পৰিছিল। তেওঁলোকে সেই দুৰ্ভাগ্যজনক ঘটনাটো এতিয়ালৈকে মানি ল’ব পৰা নাই। বহু সময়ত বহুত কিবাকিবি আনন্দৰ মূহুৰ্ত্ত আহি থাকিলেও সকলো ফালে স্তব্ধতা আৰু শূণ্যতাই বিৰাজ কৰি আছে। বিভিন্ন আনন্দদায়ক মূহুৰ্ত্ত আহিলেও মানুহে মন খুলি আনন্দ প্ৰকাশ কৰিব পৰা নাই। বিকা এক স্তব্ধতা আৰু শূণ্যতাই আমাক আগচি ধৰে। ২০২৫ চনৰ ১৯ চেপ্তেম্বৰ, চাওঁতে চাওঁতে নমাহ পূৰ্ণ হৈ গ’ল কিন্তু আজিলৈ আমি পাহৰিব পৰা নাই সেই দিনটোত ঘটি যোৱা এই দুৰ্ভাগ্যজনক ঘটনাৰ কথা। আমাৰ জুবিন দা আঁতৰি যোৱাৰে পৰা কোনেও মন খুলি উৎসৱ, আনন্দ কৰিব পৰা নাই। ১৯ চেপ্তেম্বৰ, শুকুৰবাৰৰ সেই দুৰ্ভাগ্যজনক খবৰটো সত্য বুলি গম পোৱাৰ পিছত নিজে নিজেই স্তব্ধ হৈ পৰিছিল সকলো। কাৰো মুখতেই প্ৰকাশ কৰিবলৈ যেন কোনো ভাষা নাছিল সেই সময়ত। কেৱল মাত্ৰ মানুহবোৰে নিজৰ নিজৰ ম’বাইলতে মায়াবিনী ৰাতিৰ বুকুত গীতটি বজাইছিল আৰু সেই গীতৰ সুৰে সুৰে গীতটি গাবলৈ লৈছিল আৰু বিভিন্ন অনুষ্ঠানত আজিলৈ এই গীতটি গায়েই আছে। জুবিন দা আমাৰ মাজৰ পৰা নোহোৱা হৈ যোৱা দিনটোৰ পৰাই আজিলৈ কোনো অনুষ্ঠানত এই গীতটি গায়েই আছে। আমাৰ সমাজত অনুষ্ঠিত হৈ থকা বিয়া- সবাহ, অন্যান্য সামাজিক অনুষ্ঠান আদিতো সদায় জুবিন গাৰ্গৰ ফটো আগত ৰাখি চাকি ধূপ জ্বলাই শ্ৰদ্ধা জ্ঞাপন কৰে। জুবিন দাক সকলোৱে আন্তৰিকতাৰে ভাল পাই আহিছে বাবেই স্বতঃস্ফূৰ্তভাৱে জুবিন দাৰ প্ৰতি এনেদৰে শ্ৰদ্ধা জ্ঞাপন কৰে। নৱবিবাহিত দৰা কইনায়ো আৰম্ভণিতে দৰা-কইনা হিচাপে জুবিন দাৰ ফটোত সেৱা জনায়। এই দুৰ্ভাগ্যজনক ঘটনাটো ঘটি যোৱাৰ পিছত বহুদিনলৈ মানুহ স্বাভাৱিক হ’ব পৰা নাছিল, ভালদৰে খোৱা লোৱা পৰ্য্যন্ত কৰিব পৰা নাছিল। অৰ্থাৎ ইয়াৰ অৰ্থ এইটোৱেই আছিল যে মানুহে আমাৰ অসমীয়াৰ আবেগ স্বৰূপ জুবিন দাৰ এই অস্বাভাৱিক মৃত্যুক কেতিয়াও মানি ল’ব পৰা নাছিল। হঠাতেই এচাম মানুহে নিজস্ব স্বাৰ্থ সিদ্ধিৰ বাবে যে এনেকৈয়ে শেষ কৰিব পাৰিব সেই কথা কোনেও ভাবিব পৰা নাছিল। আমাৰ আদৰৰ শিল্পীগৰাকী আমাৰ মাজৰ পৰা আঁতৰি যোৱা নমাহ সম্পূৰ্ণ হৈছে। এই দিন সমূহত আমি সকলোফালে এক মহাশূণ্যতা অনুভৱ কৰিছোঁ। এই কেইটা মাহৰ ভিতৰত পূজা, দীপাৱলী, নৱবৰ্ষ উদযাপন, ভোগালী আৰু বহাগ বিহুৰ দৰে অনুষ্ঠান উদযাপন কৰা হ’ল। যদিও সকলো অনুষ্ঠান হৈ আছে কিন্তু ইয়াৰ মাজতেই কিবা এক উদাস, শূণ্য পৰিৱেশ, এই প্ৰতিটো উৎসৱ পাৰ্বণৰ দিনকেইটাত সেই স্থানত, যি স্থানত জুবিন দাৰ শেষকৃত্য সমাপন কৰা হৈছিল তাত যথেষ্ট লোকৰ সমাগম হয়। সকলোৱে আমাৰ আদৰৰ শিল্পীগৰাকীৰ প্ৰতি মৰম, শ্ৰদ্ধা জনায়। আনকি বৰ্তমান সময়তো নিশাৰ ভাগত বহুলোকে কাম বন কৰি আজৰি হৈ জুবিন ক্ষেত্ৰলৈ যায়। তালৈ গৈ আদৰৰ শিল্পীৰ প্ৰতিচ্ছবিৰ সমুখত সেৱা সন্মান জনাই মনৰ ভাগৰ জুৰায়।

আজিৰ বস্তুবাদী সমাজত যি সময়ত মানুহে নিজৰ পৰিয়ালৰ মানুহৰ খবৰ নলয় তেনে ক্ষেত্ৰত মানুহে নিজৰ ব্যস্ততাপূৰ্ণ জীৱনৰ পৰা সময় উলিয়াই তালৈ গৈছে। ইয়াৰ পৰা গম পোৱা যায় যে মানুহৰ প্ৰতি কিমান আন্তৰিক, ভালপোৱা থাকিলে মানুহে মানুহৰ বাবে এইখিনি কৰিব পাৰে। আমাৰ এই আদৰৰ শিল্পীগৰাকীয়ে আমাক সকলোকে স্তব্ধ কৰি, শূণ্য কৰি আঁতৰি গৈছে। এই দুৰ্ভাগ্যজনত ঘটনাত যিসকল অভিযুক্তৰ নাম সাঙোৰ খাই পৰিছে তেওঁলোক এতিয়া ন্যায়িক জিম্মাত। আৰক্ষী জিম্মাত কাল কটাই সেই কেইজন অভিযুক্তই এতিয়া কাৰাবন্দী হৈ আছে। কেইবাটাও শুনানী ইতিমধ্যে হৈ গৈছে। কোটি কোটি জনসাধাৰণে বিচাৰিছে আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ এই দুৰ্ভাগ্যজনক ঘটনাই যথোচিত ন্যায় লাভ কৰক। জুবিন দাৰ এই দুৰ্ভাগ্যজনক ঘটনাই ন্যায় লাভ কৰা মানে তেওঁৰ পৰিয়ালৰ লোকসকলে ন্যায় লাভ কৰা। তেখেতৰ বৃদ্ধ পিতৃ, পত্নী আৰু ভগ্নীয়ে বহু আশাৰে জুবিন গাৰ্গৰ ন্যায়ৰ বাবে বৈ আছে। জুবিন গাৰ্গৰ দৰে এক সুবিশাল সত্তা যাৰ বাবে আজি পৰিয়ালৰ মানুহে যথোচিত ন্যায় প্ৰাপ্তিৰ বাবে আইনৰ দুৱাৰে দুৱাৰে সংগ্ৰাম কৰিবলগীয়া হৈছে। অভিযুক্ত যাতে আইনৰ সুৰুঙাৰে সাৰি যাব নোৱাৰে তাৰ বাবে ৰাইজৰ ওচৰত, চৰকাৰৰ ওচৰত আহ্বান জনাবলগীয়া হৈছে। যিগৰাকী ব্যক্তিয়ে বিপদ-আপদ, সুখ-দুখ সফলতা সকলো সময়তে মানুহৰ সমুখত ঠিয় হৈছিল, তেনে এগৰাকী ব্যক্তিক লৈ এচাম সুবিধাবাদী মানুহে একমাত্ৰ নিজকে ক্ষন্তেকৰ বাবে জনপ্ৰিয় কৰাৰ অৰ্থে অথবা নিজৰ ন্যস্ত স্বাৰ্থ সিদ্ধিৰ বাবে ৰাজনীতি কৰিবলৈ বাদ দিয়া নাই। বৰং এচাম দুষ্ট চক্ৰ এইক্ষেত্ৰত উঠি পৰি লাগিছে। তেখেতৰ স্বভাৱ চৰিত্ৰৰ নামতো কালিমা সানিবলৈ এচামে বাদ দিয়া নাই এচাম সুবিধাবাদী লোকে। জীয়াই থাকোঁতে এই চাম মানুহে বিভিন্ন চলেবলে কৌশলে তেখেতৰ পৰা সকলোখিনি সুবিধা আদায় কৰিলে। এতিয়া মৃত্যুৰ পিছতো তেওঁলোকেই উঠি পৰি লাগিছে আমাৰ আদৰৰ শিল্পী গৰাকীৰ নামত অপযশ দিবলৈ। জীয়াই থাকোঁতে নিজৰ অতুলনীয় অৱদান আৰু প্ৰতিভাৰে জীৱন্ত কিংবদন্তি পৰিণত হৈছিল আমাৰ সকলোৰে আদৰৰ ‘জুবিন দা’। ইমান কম সময়ৰ ভিতৰতে ৩৮, ০০০ গীত ৰাইজক উপহাৰ দি গ’ল। এই গীত সমূহৰ অধিক সংখ্যকেই তেখেতে নিজে লিখা, নিজে সুৰ কৰা। ইয়াৰ মাজতে বহুকেইখন কথাছবিও নিৰ্মাণ কৰিলে। তেখেতৰ সৃষ্টিৰাজি কেৱল আসমতে নহয় ভাৰতৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেখেতৰ অনবদ্য সৃষ্টিৰাজিৰে তেখেতক আমাৰ মাজত জীয়াই ৰাখিব লাগিব, তেখেতৰ সৃষ্টিৰাজি যথোপযুক্তভাৱে সংৰক্ষিত হ’ব লাগিব। মুঠতে জুবিন দাক আন্তৰিকতাৰে ভালপোৱা সকলে ‘জুবিন দা’ক নক্ষত্ৰৰ দৰে জিলিকাই ৰাখিব লাগিব।

# জীৱন কাইটি



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

জীৱন কাইটিয়ে আজি কালি খুব মন মাৰি থাকে। তেওঁৰ স্বাস্থ্যৰো বহু অৱনতি হৈছে। উত্তপ্ত ৰদত হাল বাই, শস্য চপাই কোনো দিনে ভাগৰি নপৰা জীৱন কাইটি দেখোন ঘৰৰ পৰা নলোৱা হ’ল। সদায় সমাজৰ লগত মিলি সকলো দিশত আগভাগ লোৱা জীৱন কাইটিৰ হঠাৎ এনে পৰিৱৰ্তন আচৰিত লাগে।। পৰিয়ালৰ, সমাজৰ সকলোৰে চিন্তা জীৱন কাইটিৰ এনে আচৰণত।

সিদিনা অকলে গৈছিল তেওঁ চহৰলৈ, সেমেকা মুখেৰে ঘুৰি আহিছিল ঘৰলৈ। কি হৈছিল সিদিনা? কিয় তেনে কৰিছিল তেওঁ? কিহৰ ভয়ত, কি কাৰণত লুকুৱাইছে তেওঁ কথা বোৰ। আচলতে জীৱন কাইটিৰ হৈছে কি? দিনে তিল তিলকৈ মৰিছে তেওঁ। পৰিয়ালটোৰ কথা ভাবি ভাবি মৰ্মাহত হৈ উঠিছে তেওঁ। দুজনী ছোৱালী দিবলৈ আছে বিয়া। এটি মাথোঁ ল’ৰা সিও হৈ আছে সৰু। তেওঁৰ অবিহনে ঘৰখন কেনেকৈ চলিব? মাটি কেইডৰা বেছিলেও পতন হ’ব পৰিয়ালটোৰ ভৱিষ্যত । এইবোৰ কথা ভাবিয়েই জীৱন কাইটিয়ে সকলো সহি গৈছে।

কোনো দিনে কাৰো ওচৰত হাত নপতা জীৱন কাইটি মৰিব ওলাইছে। আচলতে তেওঁৰ হৈছে কি? জীৱন কাইটিৰ কেন্সাৰ হৈছে, পাপি বুলি মানুহে হাঁহিব বুলি সকলো গোপন ৰাখিছে। ধনৰ অভাৱত নিৰুপায় হৈ মৰণক আকোৱালি ল’বলৈ প্ৰস্তুত তেওঁ।

জীৱন কাইটি আজি আৰু নাই।
নিমাত আজি হালৰ গৰু হাল।
উদঙ আজি খেতি পথাৰ, নিথৰুৱা বিমুখ ঘৰখন।
সকলো বিধিৰ লিখন
নহয় খণ্ডন।।।।

# পানী আৰু পোহৰ



**সত্যজিৎ গগৈ,বামুণী গাঁও, কলিয়াবৰ, নগাঁও**

চহৰ খনৰ শেষত এখন শুকান নদী ওলমি আছে
পানীবোৰে ৰাতি গোপনে সভা পাতে
কাৰ ঘৰত নামিব বৃষ্টি
আৰু কাৰ ঘৰত পোহৰ
পোহৰ আজিকালি জোতা খুলি নাহে
সি প্ৰৱেশ কৰে গহীন খোজেৰে
দীঘল ক'ৰিডৰ এটাত গাঁওখনৰ কলবোৰে ভাষণ দিছে
শিশুবোৰে তৃষ্ণাক
ৰাষ্ট্ৰীয় সংগীত বুলি গাবলৈ শিকিছে
পোহৰৰ ফাইলত এজন বৃদ্ধৰ ছাঁ
সেই ঘৰত এতিয়াও আন্ধাৰেই ৰজা
যোৱা নিশা চন্দ্ৰই গোপনে স্বাক্ষৰ কৰে
এটা ওখ লেম্প প'ষ্টৰ স'তে
পানী আৰু পোহৰৰ মাজত
এতিয়া যুদ্ধংদেহী প্ৰস্তুতি
মাটিবোৰে নীৰৱে ফাট মেলি কয়
মই জীৱন আৰু মই উন্নয়ন।

# বজাৰৰ কোলাহল



দেওবৰীয়া বজাৰ তাতেই আকৌ মানুহৰ ভিৰ। সময় পুৱা ১০ বজাৰ ওচৰা ওচৰি। সেই ভিৰৰ মাজতে প্ৰায় ৮ - ৯ মান বয়সৰ এজন সৰু লৰাই হাতত বেলুন, পিঠিত এটা বেগ ওলমাই লৈ ইফাল সিফাল কৰি চিঞৰি আছে।

দাদা বেলুন লব, একদম কম দামত। শব্দকেইটা শুনি মই অলপ দূৰৰ পৰাই সেই ভিৰৰ মাজত লৰাজনক চাই ৰলো। চাই থাকোতে সেই ভিৰৰ মাজৰ পৰা কোনফালে গুচি গ'ল ধৰিবয়ে নোৱাৰিলো। মই ভাৱিলো যিটো বয়সত হাতত কিতাপ বহী লৈ স্কুললৈ যাব লাগে, সেইটো বয়সত হাতত বেলুন লৈ বেলুন বিক্ৰী কৰি আছে। আচৰিত হলো, বাৰু মই মোৰ কামত লাগি গলো মানে বজাৰ কৰাত। প্ৰায় ১ঘন্টা পিছত মই বজাৰৰ পৰা ওলাব লৈছো, ঠিক তেনে সময়তে লৰাজনক আকৌ দেখা পালো অন্য এটা ৰূপত। এখন চানাৱালাৰ দোকানৰ সন্মুখত চিঞৰি আছে...

**বিশ্বজিৎ বৈশ্য, বংশৰ, শুৱালকুছি**

চানা চানা চানা
কোনে খাই জানা
যিজনে খাই সিজনে পায় মজা....

আকৌ আচৰিত, কিছুসময় আগতে দেখা পোৱা বেলুন বিক্ৰী কৰা লৰাজনে এতিয়া আকৌ, চানাৱালা জনক সহায় কৰি দিছে। দেখিলো হাতত বেলুন নাই বোধয় বিক্ৰী কৰি শেষ কৰিলে । এতিয়া আকৌ এজন দোকানীক সহায় কৰিব ধৰিছে । ভবামতে কাম......

এখোজ এখোজকৈ আগুৱাই মই লৰাজনৰ ওচৰলৈ গলো, আৰু শুধিলো। কিছুসময়ৰ আগতে এই বজাৰতে বেলুন বিক্ৰী কৰা লৰাজন তুমিয়ে আছিলা নহয় জানো! এতিয়া আকৌ চানাৱালাক সহায় কৰি দি আছা, কথাটো কি ?

লৰাজনে মোক অকমান চাইডলৈ মাতি নি কলে, - দাদা, মই দেওবাৰৰ বজাৰখনত আহি এনেকৈয়ে কেইগৰাকীমান দোকানীক সহায় কৰি দিও আৰু দুচইচা পাও, নহলে আমাৰ ঘৰৰ পিতাইৰ উপাৰ্জনৰ পইচাৰে নোযোৰে, মা বিছনাত! অসুখ।

*(বাৰপৃষ্ঠাত চাওক)*

# যেতিয়া শিশুৰ হাঁহিয়ে শিক্ষকৰ দিনটো উজলাই তোলে

**কানুপ্ৰিয়া ডেকা,বৰপেটা, হাউলী**



মানুহৰ জীৱনত কিছুমান মুহূৰ্ত এনে থাকে যিবোৰে ক্লান্ত মনকো নতুন শক্তিৰে ভৰাই তোলে। কেতিয়াবা এটা মিঠা শব্দ, কেতিয়াবা এটা আন্তৰিক শুভেচ্ছা, আকৌ কেতিয়াবা এটা সৰু হাঁহিয়ে জীৱনৰ বহু দুখ-দুৰ্দশাক পাহৰাই দিয়ে। শিক্ষক জীৱনো তেনে এক জীৱন, য'ত প্ৰতিদিনে নতুন নতুন অভিজ্ঞতা, নতুন নতুন মুখ আৰু নতুন নতুন সপোনৰ সৈতে সাক্ষাৎ হয়।এই পথত শিক্ষকে বহু দায়িত্ব, বহু কষ্ট আৰু বহু ত্যাগ স্বীকাৰ কৰিবলগীয়া হয়। কিন্তু এই সকলোবোৰৰ মাজতো যি বস্তুটোৱে এজন শিক্ষকৰ মনক আটাইতকৈ বেছি আনন্দেৰে ভৰাই তোলে, সেয়া হ'ল শিশুসকলৰ নিষ্পাপ হাঁহি। সঁচাকৈয়ে, যেতিয়া শিশুৰ হাঁহিয়ে শিক্ষকৰ দিনটো উজলাই তোলে, তেতিয়া সেই আনন্দক শব্দেৰে সম্পূৰ্ণকৈ বৰ্ণনা কৰাটো কঠিন হৈ পৰে।

শিশু হৈছে পৃথিৱীৰ আটাইতকৈ নিৰ্মল সৃষ্টি। তেওঁলোকৰ মনত কোনো কপটতা নাথাকে, কোনো ভণ্ডামি নাথাকে। তেওঁলোকৰ হাঁহি একেবাৰে স্বচ্ছ নদীৰ পানীৰ দৰে, য'ত কোনো মলিনতা নাথাকে। বিদ্যালয়ৰ শ্ৰেণীকোঠাত এজন শিক্ষক যেতিয়া প্ৰৱেশ কৰে আৰু শিশুসকলৰ উজ্জ্বল মুখমণ্ডলত হাঁহিৰ ফুল ফুলি থকা দেখে, তেতিয়া তেওঁৰ মনটোও আনন্দেৰে ভৰি পৰে। হয়তো তেওঁ ব্যক্তিগত জীৱনৰ বহু সমস্যাৰ মাজেৰে পাৰ হৈ আহিছে, হয়তো কোনো চিন্তাই তেওঁৰ মনটো অশান্ত কৰি ৰাখিছে; কিন্তু শিশুৰ সেই নিৰ্মল হাঁহিয়ে মুহূৰ্ততে সকলো ক্লান্তি আঁতৰাই দিয়ে।

শিক্ষকৰ কাম কেৱল পাঠদান কৰা নহয়। তেওঁলোক হৈছে সমাজ গঢ়াৰ শিল্পী। এজন শিশুৰ ভিতৰত লুকাই থকা সম্ভাৱনাবোৰ চিনাক্ত কৰি সেইবোৰ বিকশিত কৰাৰ মহান দায়িত্ব শিক্ষকসকলৰ ওপৰত ন্যস্ত থাকে। এই দায়িত্ব পালন কৰোঁতে তেওঁলোকে বহু সময় ধৈৰ্য্য, সহনশীলতা আৰু ত্যাগৰ পৰিচয় দিবলগীয়া হয়। বহু শিশুৱে হয়তো আৰম্ভণিতে পাঠ বুজি নাপায়, কোনোবাই ভুল কৰে, কোনোবাই দুষ্টামি কৰে। কিন্তু যেতিয়া সেই শিশুটোৱে এদিন সফলভাৱে এটা পাঠ বুজি পায় আৰু আনন্দত হাঁহি মাৰে, তেতিয়া শিক্ষকে অনুভৱ কৰে যে তেওঁৰ সকলো পৰিশ্ৰম সাৰ্থক হৈছে।

বিদ্যালয় হৈছে কেৱল শিক্ষা লাভৰ স্থান নহয়; ই হৈছে মৰম, বিশ্বাস আৰু সম্পৰ্ক গঢ়ি উঠাৰ এক পবিত্ৰ ক্ষেত্ৰ। শিক্ষক আৰু শিশুৰ মাজৰ সম্পৰ্কটো বহু ক্ষেত্ৰত পিতৃ-মাতৃ আৰু সন্তানৰ সম্পৰ্কৰ দৰেই স্নেহময়। এজন শিক্ষক যেতিয়া শিশুসকলৰ সুখ-দুখৰ অংশীদাৰ হয়, তেতিয়া শিশুসকলো তেওঁক নিজৰ মানুহ বুলি ভাবিবলৈ আৰম্ভ কৰে। সেই বিশ্বাস আৰু আত্মীয়তাৰ মাজতেই জন্ম লয় হাঁহিৰ অসংখ্য মুহূৰ্ত। কোনো শিশুৱে সৰল মনেৰে কোৱা এটা ধেমেলীয়া কথা, কোনোবাই আঁকি অনা এখন ছবি, অথবা কোনোবাই আগবঢ়োৱা এটা সৰু ফুল- এইবোৰেই শিক্ষকৰ দিনটোক বিশেষ কৰি তোলে।

আধুনিক যুগত মানুহ ব্যস্ততাত ডুব গৈছে। মানসিক চাপ, প্ৰতিযোগিতা আৰু জীৱনৰ জটিলতাই বহু সময়ত মানুহৰ মুখৰ হাঁহি কাঢ়ি নিয়া দেখা যায়। এনে সময়ত শিশুৰ হাঁহি যেন এক টুকুৰা পোহৰ। **আগলৈ...**

# সঁফুৰা



**প্ৰভাত বণিয়া**

তুমি আহিলে জোনাকে মিতালি পাতে
সঁজাল ধৰে মোৰ ধূসৰিত সপোন
ৰিক্ত হৃদয়খন এবুকু মৰমত উতলা হয়
নভবাকৈ দোলনা লাগে মনত
নিস্পৃহ অসাৰ অস্পৃশ্য মুমূৰ্ষ জীৱন পুনৰ সাৰ পায়
মেৰাই ধৰা তুমি মোক মাধৱীলতাৰ দৰে
ভৰুণ হয় পৃথিৱী, আকাশ, বতাহ
ৰিমঝিম বৰষুণ পৰিছে
আজি প্ৰাণোচ্ছল মোৰ হিয়াৰ কলনি ।

## গুৱাহাটীত উদণ্ড গ্ৰীন

বাছসমূহৰ ক্ষেত্ৰত যান-বাহন আৰক্ষী অথবা পৰিবহণ বিভাগ কিয় কঠোৰ হোৱা নাই বুলি প্ৰশ্ন উত্থাপন কৰিছে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে গ্ৰীন বাছৰ দৌৰাত্ম্যই জনজীৱনক ভাৰাক্ৰান্ত কৰিছে। নতুনকৈ পৰিবহণ মন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছতে চৰণ বড়োৱে গ্ৰীন বাছৰ অৰাজক স্থিতিক লৈ কঠোৰ ব্যৱস্থা লোৱাৰ হুংকাৰ দিছিল যদিও প্ৰতিশ্ৰুতি দিয়াৰ পিছতো সেয়া কি কাৰণত মন্ত্ৰীগৰাকীয়ে পালন কৰা নাই। গুৱাহাটীৰ বহু সাধাৰণ ৰাইজে গ্ৰীন বাছৰ অতপালিৰ বিৰুদ্ধে বিভিন্ন সময়ত অভিযোগ দিছে, কিন্তু অসম ৰাজ্যিক পৰিবহণ নিগমেই হওক বা মহানগৰ যান-বাহন আৰক্ষীয়েই হওক এইক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰা নাই। যাৰ বাবে সময় যোৱাৰ লগে লগে গ্ৰীন বাছৰ দৌৰাত্ম্যই মহানগৰবাসীৰ জীৱনযাত্ৰা অধিক জটিল কৰি তুলিছে। এইক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি গ্ৰীন বাছসমূহক নিয়ন্ত্ৰণৰ বাবে পদক্ষেপ ল'বলৈ ৰাজ্য চৰকাৰক দাবী জনাইছে আছুৰ সভাপতি উৎপল শৰ্মাই।

## ৰাণী বনাঞ্চলত

ভাগৰ উপৰি নিশাও সঘনাই পহৰা দি বন ধ্বংসকাৰী আৰু চোৰাং চিকাৰীৰ বিৰুদ্ধে তেওঁ কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। বনবিভাগৰ মুখ্য কাৰ্যালয়ৰ পৰা এই প্ৰস্তাৱসমূহ মঞ্জুৰ হ'লে শুকুৰবৰীয়া অঞ্চলৰ ৰাইজে দীৰ্ঘদিনীয়া বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পাব বুলি আশা কৰা হৈছে। বিট অফিচাৰগৰাকীৰ এনে কৰ্মতৎপৰতাক এতিয়া স্থানীয় দল-সংগঠন তথা সৰ্বসাধাৰণ ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

## বৰপথাৰত নিৰুদ্দেশ

স্থাপন কৰিব পৰা নাই স্বামী বিশাল তাঁতীয়ে। ঘটনাৰ পিছতে চিনা তাঁতীৰ স্বামী বিশাল তাঁতীয়ে বৰপথাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। যদিও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে, তথাপিও আজি বহু দিন অতিক্ৰম কৰাৰ পিছতো তেওঁলোকৰ কোনো নিশ্চিত সন্ধান লাভ কৰা হোৱা নাই। এই ঘটনাই স্বামী বিশাল তাঁতীক গভীৰ চিন্তা আৰু অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে। পত্নী আৰু দুই সৰু সন্তানৰ কোনো সম্ভেদ নোপোৱাত স্থানীয় ৰাইজেও ঘটনাটোক লৈ উদ্বেগ প্ৰকাশ কৰিছে। যদি কোনো সদাশয় ব্যক্তিয়ে চিনা তাঁতী অথবা তেওঁৰ দুই পুত্ৰ সন্তানৰ বিষয়ে কোনো তথ্য লাভ কৰে বা ক'ৰবাত দেখা পায়, তেন্তে অনুগ্ৰহ কৰি তৎক্ষণাত ওচৰৰ আৰক্ষী থানাত অৱগত কৰিবলৈ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

## হ্ৰাস পালে বাণিজ্যিক

বছৰটোৰ আৰম্ভণিতে অৰ্থাৎ ১ জানুৱাৰীত একেকোবে বাণিজ্যিক চিলিণ্ডাৰৰ দাম বৃদ্ধি হয় ১১১ টকাকৈ। ফেব্ৰুৱাৰীতো পুনৰ ৪৯ টকাকৈ বৃদ্ধি হয় বাণিজ্যিক ৰন্ধন গেছৰ দাম। মাৰ্চৰ আৰম্ভণিতে ইয়াৰ দাম বঢ়োৱা হয়্ৰ টকাকৈ। এপ্ৰিল মাহত যুদ্ধৰ পৰিপ্ৰেক্ষিতত ২১৮ টকাকৈ বৃদ্ধি কৰা হয়। মে' মাহত বঢ়োৱা হয় ৯৩ টকাকৈ। জুনত বাঢ়ে ৫৩ টকাকৈ। ইৰান যুদ্ধৰ পৰিস্থিতি চম্ভালি হোটেল-ৰেস্তোৰাঁ আৰু অন্যান্য বাণিজ্যিক প্ৰতিষ্ঠানৰ বাবে এলপিজি সৰবৰাহ আগৰ পৰ্যায়লৈ ওভতাই অনাটোৱেই লক্ষ্য কেন্দ্ৰৰ। পশ্চিম এছিয়াৰ সংকটৰ সময়ত নিৰ্দিষ্ট কিছুমান শিতানত আৰোপিত বাধা-নিষেধ প্ৰত্যাহাৰ কৰাৰ কেইদিনমানৰ ভিতৰতে এই পদক্ষেপ গ্ৰহণ কৰা হয়।

## পেট্ৰ'লৰ-ডিজেলৰ

হোৱাৰ যি আশংকা আছিল, সেয়া দূৰ হৈছে। এই ইতিবাচক পৰিৱৰ্তনৰ বাবেই বিশ্ব বজাৰত তেলৰ মূল্য হ্ৰাস পাইছে। আনফালে, ভাৰতৰ অন্যতম ব্যক্তিগত ইন্ধন খুচুৰা বিক্ৰেতা প্ৰতিষ্ঠান নায়াৰা এনাৰ্জীয়ে বুধবাৰে সমগ্ৰ দেশজুৰি প্ৰতিষ্ঠানটোৰ নেটৱৰ্কত পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰত ৫ আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত ৩ টকাকৈ হ্ৰাস কৰে। পশ্চিম এছিয়াৰ উত্তেজনা প্ৰশমিত হোৱাৰ ফলত আন্তঃৰাষ্ট্ৰীয় বজাৰত তেলৰ মূল্য হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত বিগত দুবছৰতকৈও অধিক সময়ৰ ভিতৰত যিকোনো প্ৰতিষ্ঠানে কৰা এইয়া প্ৰথম খুচুৰা ইন্ধনৰ মূল্য হ্ৰাস। যোৱা ২৬ মাৰ্চত প্ৰতিষ্ঠানটোৱে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য ক্ৰমে ৫ টকা আৰু ৩ টকাকৈ বৃদ্ধি কৰিছিল। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰায়ত্ত ইন্ধন প্ৰতিষ্ঠানসমূহেও মে' মাহৰ দ্বিতীয়াৰ্ধত কেইবালানিও সংশোধনৰ জৰিয়তে উচ্চ আন্তঃৰাষ্ট্ৰীয় মূল্যৰ সৈতে সংগতি ৰাখি পেট্ৰ'ল আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত ৭.৫০ টকাকৈ বৃদ্ধি কৰিছিল।

## জোনাই-ধেমাজিৰ বানাক্ৰান্তৰ

আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব প্ৰদান কৰাৰ লগতে ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ এটা কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দল প্ৰেৰণ কৰিব বুলিও আশ্বাস দিয়ে মন্ত্ৰী দুগৰাকীয়ে। সংবাদ মাধ্যমৰ আগত কেন্দ্ৰীয় মন্ত্ৰী চৌহানে কয় যে বানত ক্ষতিগ্ৰস্ত অঞ্চলত অতি দুখলগা পৰিৱেশ সৃষ্টি হৈছে। ৰাইজৰ দুখৰ সময়ত আমি তেওঁলোকৰ সৈতে আছোঁ। সেয়ে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰি কিছু সমস্যা সমাধান কৰা চেষ্টা কৰা হৈছে। ক্ষতিগ্ৰস্ত কৃষকৰ বাবে এক বিকল্প ব্যৱস্থাৰ কথা চিন্তা কৰি থকা হৈছে। তেওঁ লগতে কয় যে বানৰ পাছত স্বাস্থ্যৰ সমস্যাৰ উদ্ভৱ হ'ব। তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিশা গুৱাহাটীত অনুষ্ঠিত হ'বলগা পৰ্যালোচনা বৈঠকত সকলো তথ্য পোৱা যাব। সেই তথ্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ হাতত অৰ্পণ কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰী দুগৰাকীয়ে যিসমূহ পৰিয়ালৰ বাসগৃহ বানত বিধ্বস্ত হৈছে, তেনে পৰিয়ালক প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ ঘৰ আবণ্টন দিয়াৰ বাবে বিবেচনা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। পৰিদৰ্শনকালত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ধেমাজি জিলাৰ অভিভাৱক মন্ত্ৰী অতুল বৰা, সাংসদ প্ৰদান বৰুৱা, জোনাইৰ বিধায়ক ভুবন পেগু, চিচিবৰগাঁও সমষ্টিৰ বিধায়ক জীৱন গগৈ আদিকে ধৰি বহু জনপ্ৰতিনিধিয়ে কেন্দ্ৰীয় মন্ত্ৰী দুগৰাকীক সংগ দিয়ে। উল্লেখ্য যে প্ৰলয়ংকৰী বানত তেলাম গাঁও পঞ্চায়তৰ অৰুণ চাপৰি গাঁৱৰ প্ৰতিটো পৰিয়ালৰ চোতালত পলস, জেং-জাবৰ, কাঠৰ টুকুৰা আদিৰে ভৰি পৰাৰ উপৰি অঞ্চলটোৰ কেইবাটাও পৰিয়ালৰ ঘৰ-বাৰী বানে তচনচ কৰি পেলায়।

## পত্নীৰ হাতত তুলি দিলে জুবিন গাৰ্গৰ

আৱেগিক হৈ উঠা গৰিমা শইকীয়া গাৰ্গে জুবিনৰ নিঃস্বাৰ্থ আৰু উদাৰ প্ৰকৃতিৰ চৰিত্ৰৰ কথা সুঁৱৰি কয়- এয়া মোৰ বাবে এক অতি আৱেগিক যুঁজ। জীৱনত এনে এটা দিন দেখিবলগীয়া হ'ব বুলি মই কেতিয়াও ভবা নাছিলোঁ। জীৱনত এইবোৰ বস্তু এনেকৈ বিচৰা নাছিলোঁ। এতিয়া এইখিনি লৈ মই একেবাৰে শান্তি পোৱা নাই। এয়া অত্যন্ত কঠিন সময়। কিন্তু জুবিনে যি কাম কৰিব বিচাৰিছিল মই তাক আগুৱাই লৈ যাম। তেওঁ সদায় কৈছিল, মই মোৰ বাবে একো নাৰাখোঁ। আৰু মই নিজৰ বাবে একো এৰি নাযাওঁ। গৰিমাই পুনৰ কয়- ময়ো মোৰ দায়িত্ব পালন কৰিম আৰু তেওঁ যিদৰে মানুহৰ বাবে কাম কৰিব বিচাৰিছিল, মই ঠিক সেইদৰেই কাম কৰি যাম। একাউণ্টত অতি কম পৰিমাণৰ ধন থকা সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত গৰিমা শইকীয়া গাৰ্গে কয় যে জুবিনে কেতিয়াও নিজৰ বাবে সম্পত্তি গঢ়াৰ কথা চিন্তা কৰা নাছিল। তেওঁ কেতিয়াও নিজৰ কথা ভবা নাছিল। মই তেওঁৰ দৰেই জীয়াই থাকিবলৈ শিকিছিলোঁ আৰু বাকীসকলে এইবোৰ দিশ চোৱাচিতা কৰিছিল। হয়তো মানুহক অত্যধিক বিশ্বাস আমি কৰিব নালাগিছিল। মানুহক বিশ্বাস কৰি আমি ভুল কৰিলোঁ। উল্লেখ্য যে আদালতৰ নিৰ্দেশমৰ্মে উত্তৰাধিকাৰ প্ৰমাণ-পত্ৰ প্ৰদান প্ৰক্ৰিয়া যোৱা ২২ জুনতে সম্পূৰ্ণ হৈছিল যদিও সেইদিনা গৰিমা শইকীয়া গাৰ্গে উপস্থিত নথকাৰ বাবে আজিহে তেওঁক নথিসমূহ হস্তান্তৰ কৰা হয়। বিশেষ চৰকাৰী অধিবক্তা প্ৰদীপ্ত তালুকদাৰে জানিবলৈ দিয়ে যে ১৮ জুনতে জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে প্ৰদান কৰা ৰায়ৰ ভিত্তিত এই প্ৰমাণ-পত্ৰ গৰিমা শইকীয়া গাৰ্গক প্ৰদান কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি জুবিন গাৰ্গৰ বেংকত সৰ্বমুঠ বিত্তীয় সম্পত্তিৰ পৰিমাণ আছিল মাত্ৰ ৯.৬৩ লাখ টকাহে।

## মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ

সত্যজিত মহন্তই। গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামীয়ে সভাখনি উদ্বোধন কৰি দিয়া ভাষণত কয় যে গ্ৰন্থই মানুহক ধ্বংস কৰিব পাৰে যেনেকৈ, সভ্যতা-সংস্কৃতিৰ বিকাশ সাধনত নতুন দিশ উন্মোচন কৰি জাতি এটা তুলি ধৰিবও পাৰে তেনেকৈ। যোৰহাটৰ গ্ৰন্থ-সংস্কৃতিৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰি আগবঢ়োৱা বক্তব্যত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে কয়, "গ্ৰন্থ হৈছে কোনো এক সময়ৰ, এটা যুগৰ প্ৰতিনিধি। সেয়েহে গ্ৰন্থক সম্পদ বুলি কোৱা হয়। যিসকলে এই গ্ৰন্থ-সম্পদ বঢ়োৱাত মনোনিৱেশ কৰে সেইসকল সমাজৰ বাবে প্ৰকৃততেই শ্ৰদ্ধেয়।" সত্ৰাধিকাৰগৰাকীয়ে লগতে অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই মহাবিদ্যালয়ৰ অধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰাৰ সমান্তৰালভাৱে সমাজ আৰু সাহিত্যৰ উৎকৰ্ষ সাধনৰ দিশত যিদৰে অৱদান যোগোইছে, তাৰবাবে তেওঁক কৃতজ্ঞতা জনায়। সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি জেংৰাইমুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী তথা বিশিষ্ট লেখক সুৰেন্দ্ৰ নাথ মুদৈয়ে ডঃ দেৱজিৎ শইকীয়াৰ সাহিত্যত লোকমনৰ প্ৰকাশ তথা গ্ৰাম্যজীৱনৰ প্ৰতিফলন কেনেকৈ হৈছে সেই সম্পৰ্কে সাৱলীল বক্তব্য আগবঢ়োৱাৰ উপৰি বৰ্তমান সময়ত হেৰাই যাবলৈ উপক্ৰম হোৱা থলুৱা শব্দৰ উচিত প্ৰয়োগেৰে ডঃ শইকীয়াই কেনেকৈ নিৰলসভাৱে সাহিত্য-সাধনা ব্ৰতী হৈ আছে তাৰ এক পৰিচয় দাঙি ধৰে। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি সত্ৰাধিকাৰ সত্যজিত মহন্ত, শিক্ষাবিদ উমাকান্ত ৰাজখোৱা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, ডঃ আনন্দ হাজৰিকা, অমৃতেশ্বৰ চুতীয়া, ৰঞ্জিৎ কুমাৰ ভূঞা, ঘনকান্ত নাথ, বলোৰাম কলিতা, অৱসপ্ৰাপ্ত আৰক্ষী উপ-অধীক্ষক নৱ কুমাৰ বৰা আৰু ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কুমুদ বৰাই বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট ব্যক্তি হিতেশ্বৰ বৰা, যোগেন দত্ত বায়ন, ডিম্বেশ্বৰ বায়ন, ভোলা বৰা, ইন্দ্ৰেশ্বৰ ৰাজখোৱা, কৰুণা বৰা, জিতেন্দ্ৰ নাথ ডেকা, ডিম্বেশ্বৰ দত্ত, জগত দুৱৰীয়া, অৰুণ কুমাৰ পাঠক, লোহিত বৰা, যুগল হাজৰিকা, ৰঞ্জিত সেন, দেৱেন শইকীয়া, থানেশ্বৰ শইকীয়া, দিলীপ শইকীয়া, ৰবীন চন্দ্ৰ শইকীয়া, ইন্দিৰাম নাথ, লোহিত বৰা, ভৰত শইকীয়া, উপেন শইকীয়া, ডিম্বেশ্বৰ শইকীয়া, ডিম্বেশ্বৰ ভূঞা, ভৰত দত্ত, প্ৰিয়ংকা হাজৰিকা, পম্পী হাজৰিকা, লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যাপিকা ইন্দুৰাণী শইকীয়া, মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, উপ-সভাপতি ডঃ ৰূপজ্যোতি বৰা, নাৰী সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, অধ্যাপক সুৰেন চন্দ্ৰ দাস, অপূৰ্বজ্যোতি হাজৰিকা, দেৱজ্যোতি খাটনিয়াৰ, ডঃ দুলাল হাজৰিকা, ডঃ প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, নৱ দাস, প্ৰদীপ চন্দ্ৰ দাস, কাৰ্তিক নাথ, দীনেশ পেগু, আচাৰ্য মোহন দাস, ডঃ অৰূপ বুঢ়াগোহাঁই, উৎপল বৰুৱা, গোবিন বৰুৱা, পদ্মধৰ বৰুৱা প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীবৃন্দ সমন্বিতে ডেৰ শতাধিক লোক উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সম্পাদক সদানন্দ ৰেগনে।

# ‘গ্ৰন্থবৰ্ষ-২০২৫ ফেল’শ্বিপ’

বিজ্ঞানভিত্তিক গৱেষণামূলক পাণ্ডুলিপি “মহাকাশৰ সীমনা বিচাৰি”ক এই অভিলাষী ফেল’শ্বিপৰ বাবে নিৰ্বাচিত হৈছে। উল্লেখ্য যে, এই ফেল’শ্বিপৰ অধীনত নিৰ্বাচিত লেখকসকলক তেওঁলোকৰ গৱেষণা তথা পাণ্ডুলিপি সম্পূৰ্ণ কৰাৰ বাবে বিশেষ বিত্তীয় সাহাৰ্য আৰু প্ৰকাশনৰ সুবিধা আগবঢ়োৱা হ’ব। পেশাত এগৰাকী নিষ্ঠাবান শিক্ষক সত্যব্ৰত বৰা অসমৰ সাহিত্য-সংস্কৃতি আৰু বৌদ্ধিক জগতৰ এক পৰিচিত নাম। তেখেতে দীৰ্ঘদিন ধৰি অসমৰ প্ৰতিষ্ঠিত তথা জনপ্ৰিয় আলোচনী ‘প্ৰান্তিক’, ‘গৰীয়সী’, ‘বিস্ময়’ আদিৰ উপৰি ৰাজ্যৰ শীৰ্ষস্থানীয় দৈনিক বাতৰি কাকতসমূহত বিভিন্ন বিষয়ৰ তথ্যসমৃদ্ধ তথা বিজ্ঞানভিত্তিক চিন্তাশীল প্ৰবন্ধ-পাতি নিয়মীয়াকৈ লিখি পাঠ সমাজৰ সমাদৰ বুটলি সক্ষম হৈছে। বৰ্তমানলৈকে তেখেতৰ তিনিখনকৈ মূল্যবান গ্ৰন্থ প্ৰকাশ পাইছে আৰু কেইবাখনো উচ্চমানদণ্ডৰ গ্ৰন্থ প্ৰকাশৰ পথত আছে। জামুগুৰিহাটৰ দৰে এখন সাংস্কৃতিকভাৱে চহকী অঞ্চলৰ এগৰাকী সুযোগ্য সন্তান তথা যুৱ লেখকে চৰকাৰৰ এই মৰ্যাদাপূৰ্ণ ফেল’শ্বিপ লাভ কৰাৰ খবৰে সমগ্ৰ জামুগুৰিহাট অঞ্চলত আনন্দৰ জোৱাৰ তুলিছে। বিভিন্ন দল-সংগঠনৰ লগতে গুণমুগ্ধ আৰু স্থানীয় ৰাইজে যুৱ লেখক সত্যব্ৰত বৰাক এই সাফল্যৰ বাবে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# ডিব্ৰুগড় জিলা প্ৰশাসনৰ

বাহিনী মোতায়েন কৰা হৈছিল। উচ্ছেদস্থলীত সাংবাদিকক সম্বোধন কৰি চক্ৰ বিষয়া বৰাই কয়, “আজি ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ প্ৰায় ১.৫ কিলোমিটাৰ বেদখল মুক্ত কৰা হৈছে। এই ভূমি মথাউৰি সুৰক্ষা মণ্ডলৰ ভিতৰত পৰে আৰু বান ব্যৱস্থাপনাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। এই মাটিখিনি অবৈধ দখলত আছিল। এই বেদখলে মথাউৰিটোৰ সুৰক্ষা আৰু বাৰিষাৰ সময়ত জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছিল।’উচ্ছেদ অভিযান যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি নোহোৱাকৈ সম্পন্ন হয়, তাৰ বাবে প্ৰশাসনে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ গোটৰ লগতে বৃহৎ সংখ্যক আৰক্ষী বাহিনী মোতায়েন কৰে। উচ্ছেদৰ সময়ত আইন-শৃংখলা বজাই ৰখা আৰু বিষয়া তথা দখলকাৰীসকলৰ মাজত হোৱা যিকোনো ধৰণৰ সংঘাত ৰোধ কৰাই আছিল এই কটকটীয়া নিৰাপত্তাৰ মূল উদ্দেশ্য। ডিব্ৰুগড় চহৰখনৰ সুৰক্ষা হৈছে মথাউৰি যিটো গুৰুত্বপূৰ্ণ বান নিয়ন্ত্ৰণ ব্যৱস্থা, যিয়ে বাৰিষাৰ সময়ত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীৰ পৰা ডিব্ৰুগড় মহানগৰক ৰক্ষা কৰি আহিছে। মথাউৰি আৰু নদীৰ মাজৰ সংৰক্ষিত অংশত হোৱা বেদখলে মথাউৰিৰ স্থিৰতাৰ প্ৰতি ভাবুকি স্বৰূপ বুলি অভিযন্তাসকলে দীৰ্ঘদিন ধৰি চিহ্নিত কৰি আহিছে, যাৰ ফলত পানীৰ প্ৰবল সোঁতৰ সময়ত মথাউৰি ভাঙি যোৱাৰ আশংকা বৃদ্ধি পায়। জিলা বিষয়াসকলে জানিবলৈ দিয়া মতে, মথাউৰি সুৰক্ষিত কৰা আৰু ব্ৰহ্মপুত্ৰৰ পাৰৰ চৰকাৰী ভূমি পুনৰুদ্ধাৰ কৰাৰ এক নিৰন্তৰ প্ৰয়াসৰ অংশ হিচাপে অনাগত সপ্তাহবোৰত নদীৰ পাৰৰ অন্যান্য বেদখলীকৃত অঞ্চলসমূহতো অনুৰূপ উচ্ছেদ অভিযান চলোৱা হ’ব। উল্লেখযোগ্য যে চক্ৰ বিষয়া সমুজ্জ্বল বৰা ইতিমধ্যে ডিব্ৰুগড় বাসীৰ বাবে বহুতো কাম কৰি সফলতা অৰ্জন কৰিছে।

# পান-ভোটাৰ কাৰ্ড নাগৰিকত্বৰ

এইক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তিজনে নিজৰ আৰু পূৰ্বপুৰুষৰ মাজত এক নিৰৱচ্ছিন্ন-বিশ্বাসযোগ্য বংশবৃক্ষ প্ৰমাণ কৰিব লাগিব। যাতে ভাৰতত উপস্থিতি নিৰ্দিষ্ট সময়সীমাৰ পূৰ্বে থকাটো গ্ৰহণযোগ্য সাক্ষ্য-প্ৰমাণৰ মাধ্যমত প্ৰতিষ্ঠিত হয়। দুজনীয়া খণ্ড বিচাৰপীঠখনে নিজৰ পৰ্যবেক্ষণত বিষয়টোক লৈ এইদৰে উল্লেখ কৰিছে। পান কাৰ্ড-ভোটাৰ পৰিচয়-পত্ৰ ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণ নোহোৱাটো সুপ্ৰতিষ্ঠিত। আবেদনকাৰীয়ে নিজকে আয়কৰদাতা হিচাপে দেখুৱাবলৈ কোনোধৰণৰ প্ৰমাণ দাখিল কৰিব পৰা নাই। যিহেতু পান কাৰ্ডখন আবেদনকাৰীৰ স্ব-ঘোষণাৰ ভিত্তিত ইছ্যু কৰা হৈছিল, সেয়েহে পান কাৰ্ডৰ তথ্য আদি প্ৰমাণৰ কাৰণে সংশ্লিষ্ট আয়কৰ কাৰ্যালয়ৰ পৰা নথিপত্ৰ দাখিল কৰাটো উচিত আছিল। তদুপৰি পান কাৰ্ড-ভোটাৰ পৰিচয়-পত্ৰ কম্পিউটাৰ জেনেৰেটেড নথি। উল্লেখ্য যে গোৱালপাৰা জিলাৰ হুছডবা গাঁৱৰ মহিৰুদ্দিন শ্বেইখৰ পুত্ৰ আমিনুল হকক কামৰূপ (মহানগৰ) জিলাৰ ৪নং ফৰেইনাৰ্ছ ট্ৰিবিউনেলে ৮৪২/২০১৬নং এফটি গোচৰটোৰ পৰা উদ্ভৱ হোৱা এফটি (কে (এম)-৪) ১০৭৭/২০১৭নং এফটি গোচৰটোৰ ২০১৯ চনৰ ২৮ ফেব্ৰুৱাৰীত ৰায় দি বিদেশী ঘোষণা কৰিছিল। দিনহাজিৰা কৰাৰ সূত্ৰে গুৱাহাটীৰ বৰবড়ীত ভাৰাতীয়া হিচাপে বাস কৰা আমিনুল হকে ফৰেইনাৰ্ছ ট্ৰিবিউনেলৰ এই ৰায়ক প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত ডব্লিউপি (চি) ৫৪৭১/২০১৯ নম্বৰৰ এখন লেখ আবেদন দাখিল কৰে। দীৰ্ঘ শুনানিৰ অন্তত ন্যায়াধীশ কল্যাণ ৰায় ছুৰানা আৰু ন্যায়াধীশ শ্মামিমা জাহানৰ দুজনীয়া খণ্ড বিচাৰপীঠে যোৱা ২ এপ্ৰিলত লেখ আবেদনখনৰ ৰায়দান সংৰক্ষিত ৰাখিছিল। অৱশেষত যোৱা ৩০ জুনত দুজনীয়া খণ্ড বিচাৰপীঠখনে গোচৰটোৰ ৰায় দিয়ে। এই ৰায়ত ফৰেইনাৰ্ছ ট্ৰিবিউনেলে আমিনুল হকক বিদেশী বুলি কৰা ঘোষণা বাহাল ৰখাৰ লগতে তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ত দিয়া লেখ আবেদনখন খাৰিজ কৰা হয়। লক্ষণীয়ভাৱে আমিনুল হকে ফৰেইনাৰ্ছ ট্ৰিবিউনেল আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ত তেওঁৰ পৰিয়ালে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি অসমত বসবাস কৰি অহাৰ দাবী কৰাৰ লগতে ইয়াৰ সমৰ্থনত বহুখন নথিপত্ৰ দাখিল কৰিছিল। ইয়াৰ ভিতৰত আছিল পিতৃৰ নামত থকা ১৯৫১ চনৰ এন আৰ চিৰ প্ৰতিলিপি, পিতৃ, ককাক-আইতাক, সতীয়া মাতৃ আৰু পৰিয়ালৰ সদস্যৰ নামত থকা ১৯৫১ চনৰ এন আৰ চিৰ কম্পিউটাৰাইজড প্ৰতিলিপি, ১৯৬৬ চনৰ তথা তাৰ পৰৱৰ্তী সময়ত ভোটাৰ তালিকা, ১৯৭৩ চনৰ ১২ ছেপ্টেম্বৰত ককাকে ভূমি ক্ৰয় কৰাৰ দলিল, পান কাৰ্ড, হুছডবা, আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষকে ২০১৭ চনৰ ২০ অক্টোবৰত দিয়া বিদ্যালয়ৰ প্ৰমাণ-পত্ৰ, ভোটাৰ কাৰ্ড আদি। আবেদনকাৰী আমিনুল হকে আদালতত যুক্তি দৰ্শাইছিল যে তেওঁৰ পিতৃ আৰু ককাকৰ নামৰ অসংগতিসমূহ কেৱল বানানৰ ভিন্নতাৰ বাবেই ঘটিছে। ইয়াৰ কাৰণে তেওঁৰ নাগৰিকত্ব বাতিল কৰাটো উচিত হোৱা নাই। এইক্ষেত্ৰত আদালতে সংশ্লিষ্ট ব্যক্তি, নিজৰ আৰু পূৰ্বপুৰুষৰ মাজত এক নিৰৱচ্ছিন্ন-বিশ্বাসযোগ্য বংশবৃক্ষ প্ৰমাণ কৰাৰ কথা উল্লেখ কৰে। সেইদৰে এন আৰ চিৰ নথিৰ ওপৰত নিৰ্ভৰতাৰ প্ৰসংগ নাকচ কৰি দুজনীয়া খণ্ড বিচাৰপীঠখনে কয় যে আবেদনকাৰীয়ে যিসমূহ নথিৰ ওপৰত ভিত্তি কৰি নাগৰিকত্বৰ দাবী জনাইছে, সেই নথিসমূহ কম্পিউটাৰ জেনেৰেটেড। সেয়েহে তেনে নথিসমূহক স্বয়ংক্ৰিয়ভাৱে প্ৰমাণৰূপে গ্ৰহণ কৰিব পৰা নাযায়। ইলেক্ট্ৰ’নিক নথিৰ ক্ষেত্ৰত ইলেক্ট্ৰ’নিক সাক্ষ্য-প্ৰমাণৰ আইনী চৰ্তাৱলী পূৰণ হ’বই লাগিব।

# জিএমচিএইচত জ্বৰত

পৰা মহিলাগৰাকীৰ শোচনীয় অৱস্থা প্ৰত্যক্ষ কৰি পৰিয়ালৰ লোকে হাহাকাৰ কৰাৰ পাছত প্ৰকৃত তথ্য পোহৰলৈ আহে। মহিলাগৰাকীক ভুলবশতঃ নাৰ্ছগৰাকীয়ে বৃক্ক ৰোগৰ আক্ৰান্ত ৰোগীক দিবলগীয়া তিনিটাকৈ বেজী দিয়া বুলি পৰিয়ালৰ লোকে অভিযোগ কৰে। এই সন্দৰ্ভত জিএমচিএইচৰ অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰীয়ে সদৰী কৰা মতে নিৰ্দিষ্ট ৱাৰ্ডটোত ওচৰা-উচৰিকৈ দুগৰাকী ৰোগী আছিল। এগৰাকী বৃক্ক ৰোগত আক্ৰান্ত ৰোগীৰ লগতে আনগৰাকী জ্বৰত আক্ৰান্ত ৰোগী আছিল। নাৰ্ছগৰাকীয়ে ভুলবশতঃ বেজীকেইটা কবিতা ডেকা নামৰ ৰোগীগৰাকীক দিয়ে। এই তথ্য পোহৰলৈ অহাৰ পাছত নাৰ্ছগৰাকীয়ে নিজৰ ভুল স্বীকাৰ কৰিছে। তেওঁ কয় যে ৰোগীগৰাকীক বেজী দিয়া নাৰ্ছগৰাকী মহানগৰীৰ এখন বেচৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীহে আছিল। নাৰ্ছিং পাঠ্যক্ৰম গ্ৰহণ কৰাৰ পাছত বাধ্যতামূলক প্ৰশিক্ষণৰ অংশস্বৰূপে হাস্পতালখনত ইণ্টাৰ্ণশ্বিপ কৰি আছিল ছাত্ৰীগৰাকীয়ে। উক্ত নাৰ্ছগৰাকী জিএমচিএইচৰ কৰ্মচাৰী নহয়। ইণ্টাৰ্ণশ্বিপৰ অংশস্বৰূপে হাস্পতালখনৰ নাৰ্ছ মীনাক্ষি দুৱৰাৰ নেতৃত্বত আন ৰোগীক পৰিচৰ্যাত নাৰ্ছগৰাকী ব্যস্ত আছিল। সম্প্ৰতি শিক্ষাৰ্থী নাৰ্ছগৰাকীক ইণ্টাৰ্ণশ্বিপৰ পৰা অব্যাহতি দিয়াৰ লগতে জিএমচিএইচৰ নাৰ্ছ মীনাক্ষি দুৱৰাৰ বিৰুদ্ধেও শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি তৎকালে কাৰ্যকৰী হোৱাকৈ আজি নিলম্বন কৰা হৈছে। আনহাতে ভুল বেজী প্ৰদান কৰা ৰোগী কবিতা ডেকাক চিকিৎসকে আন দৰৱ দিয়াৰ পাছত বৰ্তমান তেওঁৰ শাৰীৰিক অৱস্থা সুস্থিৰ হোৱাত চিকিৎসালয়ৰ পৰা যাবলৈ দিয়া হৈছে বুলি জানিব পৰা গৈছে। অৱশ্যে ঘটনাটোক লৈ উপযুক্ত তদন্তৰ আশ্বাস দিয়া অধীক্ষক ডাঃ চৌধুৰীয়ে জানিবলৈ দিয়া মতে, এই সমগ্ৰ বিষয়টোক লৈ হাস্পতালখনৰ মেট্ৰন অৰ্থাৎ মুৰব্বী নাৰ্ছৰ নেতৃত্বত এখন তদন্ত কমিটী গঠন কৰি বিষয়টো তদন্ত কৰি থকা হৈছে। তদন্তৰ প্ৰতিবেদনত যদিহে নাৰ্ছ মীনাক্ষি দুৱৰাৰ বিৰুদ্ধে উপযুক্ত প্ৰমাণ লাভ কৰে, তেন্তে কঠোৰ ব্যৱস্থাও গ্ৰহণ কৰা হ’ব বুলি তেওঁ লগতে কয়।

# বোকাজানত যুৱতীক


নথকাৰ সুযোগ লৈ দুৰ্বৃত্তই ধৰ্ষণ কৰি পিছত হত্যা কৰা বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰে। বোকাজান আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ঘটনাৰ সৈতে জড়িত দোষীক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি বিহাৰ দাবী জনাইছে স্থানীয় ৰাইজে। আৰক্ষীয়ে ইতিমধ্যে এই হত্যাকাণ্ডৰ সন্দৰ্ভত এজন লোকক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে যদিও ব্যক্তিজনৰ পৰিচয় সদৰী কৰা নাই।

# অসমৰ মাচ্চা চাহে পুনৰ

প্ৰাইভেট লিমিটেড’ৰ জৰিয়তে ৭০০১ নম্বৰ লটটো গুৱাহাটীৰ ‘শ্বিত’ছুনছ চাই কোম্পানী’-এ ৩ হাজাৰ টকাত ক্ৰয় কৰে। উল্লেখ্য যে মাচ্চা হ’ল অতি জনপ্ৰিয় আৰু প্ৰিমিয়াম মানৰ গ্ৰীন টী পাউডাৰ। যি মূলতঃ জাপান, চীন আৰু ভিয়েটনামত উৎপাদন হয়। সমগ্ৰ বিশ্বতে ব্যাপক চাহিদাৰ কাৰণে বৰ্তমান ইয়াৰ নাটনি পৰিলক্ষিত হৈছে। ব্লেক টীৰ কাৰণে সমাদৃত অসমে এইবাৰ মাচ্চাৰ দৰে উচ্চ মানৰ বিশেষত্ব বিশিষ্ট চাহৰ উৎপাদনেৰে সূচনা কৰিলে এক বিশাল পৰিৱৰ্তনৰ। এই উদ্ভাৱন তথা উৎপাদনে অসমৰ চাহৰ তালিকাত সংযোগ কৰিলে এক নতুন মাত্ৰাৰ। যিয়ে লাভজনক ৰপ্তানিৰ সুযোগ সৃষ্টিৰ সমান্তৰালভাৱে বিশ্ববজাৰত উচ্চমানৰ চাহৰ ক্ষেত্ৰত ভাৰতৰ অৱস্থানক আৰু অধিক শক্তিশালী কৰিব। এই সন্দৰ্ভত চোটা টিংৰাই টা ইষ্টেটৰ সঞ্চালক মৃত্যুঞ্জয় জালানে গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে। তেওঁ কয়-“ভাৰতীয় বজাৰত সৰ্বোচ্চ মানৰ গ্ৰীন টী উপলব্ধ কৰোৱাৰ লক্ষ্যৰে আমি বিগত এক দশক ধৰি জাপানৰ চাহ বিশেষজ্ঞ সকলৰ সৈতে কাম কৰিছোঁ। যোৱা ১০ বছৰ ধৰি ‘হোল লীফ’ৰ গ্ৰীন টী বিক্ৰী কৰি আহিলেও খাঁটি ভাৰতীয় মাচ্চা চাহৰ সূচনা আমাৰ কাৰণে গৌৰৱৰ মাইলষ্টোন। চোটা টিংৰাইৰ মাচ্চা চাহে শীঘ্ৰে দেশ-বিদেশৰ প্ৰতিখন ঘৰতে স্থান লাভকৰিব বুলি আমি নিশ্চিত।” এনে সফলতাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে মুখ্যমন্ত্ৰী ড’ হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমযোগে তেওঁ কয় যে তিনিচুকীয়াৰ চোটা টিংৰাই চাহ বাগিচাই ভাৰতত প্ৰথমবাৰৰ বাবে বাণিজ্যিকভাৱে মাচ্চা চাহ উৎপাদন কৰি অসম চাহ উদ্যোগক কঢ়িয়াই আনিছে এক নতুন উচ্চতালৈ। গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰত এই মাচ্চা চাহৰ প্ৰথমটো অংশ ৩,০০০ টকাত বিক্ৰী হোৱাটো অসমৰ উদ্ভাৱনী শক্তি, গুণগত মান আৰু বিশ্বমানৰ সামৰ্থ্যৰ এক উজ্জ্বল স্বীকৃতি। জাপানৰ বিশেষজ্ঞ আৰু আধুনিক প্ৰযুক্তিৰ সৈতে দীৰ্ঘদিনীয়া সহযোগিতাৰ ফলস্বৰূপে অসম চাহৰ এইনতুন যাত্ৰাই ভাৰত-জাপান বন্ধুত্বকো অধিক সুদৃঢ় কৰি তুলিছে। পৰম্পৰা, দক্ষতা আৰু উদ্ভাৱনৰ সুন্দৰ সমন্বয়েৰে অসমে আজি বিশ্ব চাহ উদ্যোগত এক নতুন দিশ নিৰ্ধাৰণ কৰিছে।

# ENGLISH NEWS SECTION

## Argentina defeat Cape Verde 3-2 to reach Round of 16




RB News: Defending champions Argentina beat Cape Verde 3-2 in extra time in their FIFA World Cup Round of 32 clash to enter last 16. The go-ahead goal for Argentina was credited as an own goal after Cristian Romero's header deflected off Cape Verde's Diney Borges in the 111th minute. Messi scored early in regulation, his record-extending 20th World Cup career goal. Lisandro Martinez scored in the 103rd minute to put Argentina ahead 2-1. Sidny Lopes Cabral and Deroy Duarte scored for Cape Verde, with both goals equalising and stunning the pro-Argentina crowd in South Florida. Argentina will face Egypt in the Round of 16.

## Egypt beat Australia on penalties




RB News: Egypt defeated Australia 4-2 on penalties in their Round of 32 match at the FIFA World Cup 2026 on Friday (IST), securing their first-ever World Cup knockout victory. Emam Ashour gave Egypt the lead with a 13th-minute header before an own goal by Mohamed Hany in the 55th minute levelled the scores, sending the match to a penalty shootout. Hossam Abdelmaguid scored the clinching goal in a shootout. Australia goalkeeper Mathew Ryan didn't stop any of Egypt's four shots after replacing starter Patrick Beach late in extra time. The victory comes in Egypt's fourth World Cup.

## Portugal defeated Croatia 2-1 in their FIFA World Cup




RB News: Portugal defeated Croatia 2-1 in their FIFA World Cup 2026 Round of 32 match in Toronto. Croatia struck first in the 53rd minute through Ivan Perisic, putting Portugal under pressure. But Ronaldo once again delivered on the biggest stage. Awarded a penalty after Renato Veiga was brought down, he calmly sent the goalkeeper the wrong way in the 68th minute to level the scores. The goal carried added significance. Ronaldo became the oldest player to score in a World Cup knockout match and, remarkably, it was his first goal in the knockout rounds despite this being his sixth World Cup. It also took his tally in the tournament to 11 goals. Portugal will face Spain in the Round of 16.

## Switzerland win 1st FIFA World Cup knockout-round game in 88 years




RB News: Switzerland secured a 2-0 victory over Algeria in the FIFA World Cup 2026 Round of 32, ending a long wait for a knockout win and progressing to the Round of 16. The match took place in Vancouver, Canada. It was Switzerland's first knockout win in the World Cup after 88 years and ended a run of seven straight losses in these games for the Swiss side. Breel Embolo and Dan Ndoye scored a goal each and the Swiss advanced to the round of 16 at the World Cup. Switzerland will face Columbia on Tuesday.

## Belgium beat Senegal 3-2 in extra time at World Cup




RB News: Belgium defeated Senegal 3-2 in their World Cup Round of 32 match, with Youri Tielemans scoring the winner in the 120+5th minute in extra time. The goal is the latest goal and the latest match-winning goal in World Cup history. Earlier, Belgium scored in the 86th and 89th minutes to take the match into extra time after trailing 0-2. Habib Diarra and Ismaila Sarr had given Senegal a deserved 2-0 lead, and they looked to be cruising through to the next round before Belgium netted twice in the final four minutes through Romelu Lukaku and Tielemans to force extra time. Belgium will now face the USA in their round of 16 match.

## Spain beat Austria 3-0 to reach round of 16



RB News: Spain secured a 3-0 victory over Austria at SoFi Stadium to advance to the Round of 16 in the 2026 FIFA World Cup. This win marked Spain's first World Cup knockout match victory in regular or extra time since their 2010 tournament triumph. Since lifting the trophy on July 11, 2010, Spain had not won a knockout match in normal or extra time. Spain's Mikel Oyarzabal scored twice and Pedro Porro scored one goal in the match. Spain will next face Portugal on Round of 16.

## England beat DR Congo 2-1 to reach WC round of 16



RB News: England came from behind to beat DR Congo 2-1 in their FIFA World Cup 2026 Round of 32 match and enter the Round of 16. DR Congo took the lead in the seventh minute before England captain Harry Kane scored goals in 75th and 86th minutes to complete the comeback. England will now face Mexico in the Round of 16.


## Kerala Cricket Association lifts 3-year ban on Sreesanth



RB News: The Kerala Cricket Association (KCA) on Wednesday revoked former India pacer S Sreesanth's three-year ban after he issued an unconditional apology and expressed regret for allegedly defamatory remarks. The KCA took the decision to lift the ban in its special general body meeting held during the day, a statement from the association said. The ban, imposed before last year's Kerala Cricket League (KCL), followed his criticism of KCA over Sanju Samson's omission from India's Champions Trophy 2025 squad.

# Another Incarnation of God

Heramba Nath




O devoted servant of humanity,
You are the symbol of selfless sacrifice.
Your life is wholly devoted to the service of mankind;
That is why you are another incarnation of God,
Honoured and revered by all.
You are the gentle, peaceful stream
That restores hope to lives on the brink of despair.
You face every challenge
As though entrusted to you by God Himself.
Countless hopes and silent prayers
Find comfort in your healing hands.
Clad in a white coat,
With a compassionate heart, a discerning eye, and a stethoscope,
You stand as a source of solace
And a vigilant guardian of human life.
Indeed,
You are blessed with the boundless trust of humanity.
Today, on the auspicious occasion of Doctors' Day,
We salute your noble profession
And honour your invaluable service to mankind.

# বজাৰৰ কোলাহল

চহৰৰ হাস্পতালত নিব পৰা নাই ধনৰ অভাৱত। মই শুধিলো পঢ়া পাতি কি কৰি আছা, তেতিয়া কলে, মোৰ পিছফালে যে বেগটো দেখিছে ..... লগে লগে বেগটো ওলাই ললে আৰু মোক দেখুৱালে, মই বেগটো দেখি আচৰিত হলো- বেগৰ ভিতৰত লৰাজনে দুখন কিতাপ লৈ আহিছে। মই শুধিলো বজাৰৰ মাজত কিতাপ লৈ আহিছা যে কিয় ?

সি কলে- সৌ ঘৰটো যে দেখিছে মানে জিৰণি চৰাটো তাত যাম আৰু তাত বহি লৈ কিতাপ পঢ়িম, পঢ়ি উঠি আকৌ দোকানৱালা এজনক সহায় কৰি দিম। কাৰণ পৰীক্ষাও আৰম্ভ হৈছে, অহাকালিও আছে। ইয়াতে দুপইচা আজিৰ দিনটোত গোটাই থলে এই কেইদিন ঘৰৰ খৰছৰ বাবে অলপ হলেও সকাহ হব। পিতাই লোকৰ ঘৰত কাম কৰি পৰিয়াল চলাব অসুবিধা হয়, কোনোবাদিন কাম হয় কোনোবাদিন কাম নাপাই ঘৰলৈ ওভতি আহে। ইফালে পইচাৰ অভাৱত মাক চহৰৰ চৰকাৰী হাস্পতালটো নিব পৰা সামৰ্থ্যও আমাৰ নাই। মই মনতে ভাৱিলো কথাবোৰ দুখজনক। কথাবোৰ শুনি বেয়া লাগি গল। ওচৰতে থকা দোকান এখনত গৈ মই মোৰ সামৰ্থ্য অনুযায়ী অলপ খোৱা কিনি দিলো, আৰু গুচি আহিলো, ভাৱি ভাৱি ঘৰটো পালো। সেই ভিৰৰ মাজতো যে সৰু লৰাটো দুপইচা গোটাই ঘৰৰ খৰছৰ বাবে পৰিয়ালৰ অলপ হলেও সহায় হয় লগতে কিতাপৰ তোপোলা হাতত সময় ওলাই পঢ়েও। এই যে এক কথাত, বজাৰৰ ভিৰৰ মাজতো নিজৰ বাবে কিতাপ পঢ়ি বেলুন বিক্ৰী কৰি আনৰ দোকানত সহায় কৰি দুপইচা পায় আত্মসন্তুষ্টি লাভ কৰে সেইয়া এক বুজাব নোৱাৰা মনৰ অনুভৱ। আচলতে, পঢ়া-শুনা যে হাট-বজাৰটো হেঙাৰ হব নোৱাৰে তাৰে এক নিদৰ্শন প্ৰকাশ পাইছে "বজাৰৰ কোলাহল" লিখনিটোত।

# ইতিবাচক চিন্তাৰ শক্তি




দৰ্শনা দত্ত, দেৰগাঁও, গোলাঘাট

মানুহৰ মন আৰু মগজু হৈছে এক অপাৰ শক্তিৰ উৎস, যি শক্তিৰ দ্বাৰা মানুহে নিজৰ ভাগ্য আৰু সমাজ দুয়োটাকে সলনি কৰিব পাৰে। আমাৰ মগজুৱে যি চিন্তা কৰে, মনে তাক বিশ্বাস কৰে আৰু আমাৰ সমগ্ৰ জীৱনটোও সেই দিশতেই গতি কৰিবলৈ লয়। গতিকে মন আৰু মগজুক যদি আমি 'ইতিবাচক চিন্তা'ৰে পৰিচালিত কৰোঁ, তেন্তে জীৱনৰ যিকোনো কঠিন প্ৰত্যাহ্বানো সহজ হৈ পৰে। শুকান প্ৰকৃতিক বসন্তই জীপাল কৰি তোলাৰ দৰেই ইতিবাচক চিন্তাই মুহূৰ্তৰ ভিতৰতে হতাশাগ্ৰস্ত মন এটাক নতুন প্ৰাণেৰে স্পন্দিত কৰি তুলিব পাৰে। যিজন মানুহৰ চিন্তা ইতিবাচক, তেওঁ হতাশাৰ মাজতো আশাৰ নতুন পোহৰ বিচাৰি পায়।

ইতিহাসৰ সোণালী পৃষ্ঠা আৰু ধৰ্মগ্ৰন্থসমূহৰ বাণীসমূহ পৰ্যালোচনা কৰিলে প্ৰমাণ পোৱা যায় যে, ইতিবাচক চিন্তা আৰু বিশ্বাসৰ শক্তিয়েই মানুহক আটাইতকৈ কঠিন পৰিস্থিতিতো জয়ী হ'বলৈ সাহস দিছিল। মহাভাৰতৰ ৰণক্ষেত্ৰত যেতিয়া অৰ্জুন হতাশ হৈ পৰিছিল, তেতিয়া ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক গীতাৰ মহান যোগাত্মক উপদেশ প্ৰদান কৰিছিল। গীতামৃতৰ সেই ইতিবাচক বাণীক যেতিয়া অৰ্জুনে অন্তৰেৰে গ্ৰহণ কৰিলে, তেতিয়া তেওঁৰ মনলৈ এনে এক অপাৰ শক্তি আহিল যাৰ সহায়ত তেওঁ অধৰ্মৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হ'ল। ৰামভক্ত হনুমানৰ নিজৰ শক্তিৰ প্ৰতি থকা অদম্য বিশ্বাস আৰু ইতিবাচক মনোভাৱে তেওঁক সাগৰ পাৰ হোৱাৰ শক্তি দিয়াই নাছিল, বৰং শত্ৰুৰে পৰিপূৰ্ণ লংকা পুৰীত তেওঁ অকলেই প্ৰৱেশ কৰি, সকলো ভয়-শংকা দূৰ কৰি নিজৰ লক্ষ্যত উপনীত হৈছিল। গতিকে চিন্তাৰ ইতিবাচকতাই মানুহক দেৱত্ব প্ৰদান কৰে।

আধুনিক বিজ্ঞান আৰু মনোবিজ্ঞানেও প্ৰমাণ কৰিছে যে মানুহৰ মন-মগজুৰ চিন্তাৰ প্ৰভাৱ তেওঁৰ শৰীৰৰ ওপৰত পৰে। যেতিয়া আমি আমাৰ মনটোক সুন্দৰ, পবিত্ৰ আৰু ধনাত্মক চিন্তাৰে পৰিপুষ্ট কৰি ৰাখোঁ, তেতিয়া আমাৰ মগজুৱে এক সকাৰাত্মক শক্তি উৎপন্ন কৰে। এই শক্তিয়ে কেৱল আমাক মানসিক প্ৰশান্তিয়েই নিদিয়ে, আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতাও বঢ়াই তোলে। ইয়াৰ পৰিৱৰ্তে খং, ঈৰ্ষা বা ঋণাত্মক চিন্তাই মানুহক মানসিক আৰু শাৰীৰিকভাৱেও দুৰ্বল কৰি তোলে।

জীৱন মানেই সমস্যা বা ব্যৰ্থতা থাকিবই। কিন্তু ইতিবাচক চিন্তাধাৰাৰ ব্যক্তিসকলে ব্যৰ্থতাক শেষ বুলি কেতিয়াও নাভাৱে। তেওঁলোকে ব্যৰ্থতাক সফলতাৰ এটা শিক্ষা বুলিহে গ্ৰহণ কৰে। বিশ্বৰ মহান ব্যক্তিসকলৰ জীৱনলৈ চালে দেখা যায় যে তেওঁলোকৰ সফলতাৰ আঁৰত আছিল তেওঁলোকৰ মনৰ দৃঢ়তা। বিখ্যাত বিজ্ঞানী থমাছ আলভা এডিছনে বাল্ব উদ্ভাৱন কৰোঁতে বাৰে বাৰে ব্যৰ্থ হৈছিল, কিন্তু তেওঁ সেই ব্যৰ্থতাক ইতিবাচকভাৱে ৰাখি কৈছিল যে, তেওঁ বহুতো এনেকুৱা উপায় শিকিলে যাৰ দ্বাৰা বাল্ব বনাব নোৱাৰি। এনে সুন্দৰ চিন্তাই তেওঁক এদিন সফল কৰি তুলিছিল। বিশ্ববিশ্ৰুত মহিলা বিজ্ঞানী মেৰী কিউৰিৰ জীৱনলৈ চালেও দেখা যায় যে কেনেকৈ ইতিবাচক চিন্তাই অসম্ভৱক সম্ভৱ কৰি তোলে। চৰম দৰিদ্ৰতা, শাৰীৰিক অসুস্থতা, সা-সুবিধাহীন এক জৰাজীৰ্ণ পৰীক্ষাগাৰৰ মাজতো তেওঁ নিজৰ মন-মগজুক নিৰাশ নকৰি মনৰ অদম্য যোগাত্মক শক্তিৰ বলতেই তেওঁ 'ৰেডিয়াম' আৰু 'প'ল'নিয়াম' আৱিষ্কাৰ কৰি বিজ্ঞানৰ ইতিহাসত দুবাৰকৈ নোবেল বঁটা বিজয়ী প্ৰথমগৰাকী মহিলা হিচাপে বিশ্বক চমকিত কৰিছিল। ঠিক সেইদৰে, আধুনিক ভাৰতৰ সপোনদ্ৰষ্টা তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামৰ জীৱনৰ মূল মন্ত্ৰই আছিল ইতিবাচক চিন্তা। তেওঁ চৰম দৰিদ্ৰতাৰ মাজৰ পৰা আহি বিশ্বৰ এজন অন্যতম শ্ৰেষ্ঠ বিজ্ঞানী আৰু ৰাষ্ট্ৰপ্ৰধান হ'বলৈ সক্ষম হৈছিল কেৱল নিজৰ মন-মগজুৰ যোগাত্মক শক্তিৰ বলত। তেওঁ কৈছিল যে- "সপোন সেয়া নহয় যিটো আমি টোপনিত দেখোঁ, সপোন হৈছে সেয়াহে যিয়ে আমাক শুবলৈ নিদিয়ে।" তেওঁৰ এই কালজয়ী ইতিবাচক বাৰ্তাই আজিৰ প্ৰজন্মৰ মাজতো এক নতুন সম্ভাৱনা আৰু আশাৰ পোহৰ জগাই ৰাখিছে।

যিদৰে এটা সৰু চাকিৰ পোহৰে এটা অন্ধকাৰ কোঠা পোহৰাই তুলিব পাৰে, ঠিক তেনেদৰে আমাৰ মনৰ এটা সৰু ইতিবাচক চিন্তাই আমাৰ গোটেই জীৱনটো পোহৰাই তুলিব পাৰে। জীৱনৰ বাটত সদায়েই সুখ বা অনুকূল পৰিৱেশ পোৱাটো অসম্ভৱ। কিন্তু জীৱনৰ জটিল পৰিস্থিতি বা প্ৰতিকূল পৰিৱেশক আমি কেনে দৃষ্টিভংগীৰে চাম, সেইটো সম্পূৰ্ণ আমাৰ নিজৰ মানসিকতাৰ ওপৰতহে নিৰ্ভৰ কৰে। বাহ্যিকভাৱে মানুহ যিমানেই শক্তিশালী বা চহকী নহওক কিয়, যদি মন আৰু মগজু ঋণাত্মক চিন্তাৰে ভৰি থাকে, তেন্তে জীৱনত প্ৰকৃত সুখ আৰু সফলতাক সঠিকভাৱে উপভোগ কৰিব নোৱাৰিব। মন-মগজুক সদায় সৎ, পবিত্ৰ আৰু ধনাত্মক চিন্তাৰে পুলকিত কৰি ৰখাটো অতি প্ৰয়োজন, কিয়নো বাহ্যিক ধন-সম্পত্তি য়ে নহয়, মনৰ ইতিবাচক চিন্তাইহে মানুহক সুস্থ কৰি ৰাখিব পাৰে আৰু সমাজৰ দৃষ্টিত প্ৰকৃততে শ্ৰেষ্ঠ আৰু চিৰস্মৰণীয় কৰি তোলে।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ, অবৈধ সৰবৰাহ আৰু কিছু আইনগত দিশ

**যোৰাখণ্ডৰ পৰা...**

**দ্বীপেন বৰুৱা**



প্ৰতিবছৰে ২৬ জুন তাৰিখে সমগ্ৰ বিশ্বজুৰি নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী আন্তৰ্জাতিক দিৱস (International Day Against Drug Abuse and Illicit Trafficking) পালন কৰা হয়। এই দিৱসৰ মূল উদ্দেশ্য হৈছে নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে বিশ্বজনীন সজাগতা বৃদ্ধি কৰা। এই উপলক্ষে চলিত বৰ্ষত ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনত “নিচামুক্ত ভাৰত অভিযান, বিকশিত ভাৰতৰ পৰিচয়” শীৰ্ষক এক সপ্তাহযোৰা কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই কাৰ্যসূচীৰ অধীনত সাংস্কৃতিক অনুষ্ঠান, ক্ৰীড়া প্ৰতিযোগিতা, সংগীত, নৃত্য, যোগাসন, আলোচনা চক্ৰ, সজাগতামূলক শোভাযাত্ৰা, সামাজিক মাধ্যম অভিযান আদি বিভিন্ন মনোৰঞ্জনমূলক আৰু শিক্ষামূলক কাৰ্যসূচী আয়োজন কৰা দেখিবলৈ পোৱা গৈছে। এইবোৰে যুৱ প্ৰজন্মক ইতিবাচক চিন্তা, সৃজনশীলতা আৰু সুস্থ জীৱনধাৰাৰ প্ৰতি আকৰ্ষিত কৰি নিচাযুক্ত দ্ৰব্যৰপৰা আঁতৰি থাকিবলৈ উৎসাহিত কৰিব।

এই কথা স্বীকাৰ কৰিবই লাগিব যে বৰ্তমান যুৱ প্ৰজন্মক নিচামুক্ত কৰি এখন সুস্থ আৰু সুৰক্ষিত সমাজ গঢ়িবলৈ হ'লে কঠোৰ আৰু ফলপ্ৰসূ আইন-কানুনৰ বিশেষ প্ৰয়োজনীয়তা আছে। প্ৰথমেই নিচাযুক্ত দ্ৰব্যৰ উৎপাদন, সৰবৰাহ, বিক্ৰী আৰু সংৰক্ষণৰ ওপৰত নিয়ন্ত্ৰণ স্থাপন কৰিব লাগিব। কঠোৰ শাস্তিৰ ব্যৱস্থা থাকিলেহে অপৰাধী চক্ৰসমূহ এই ব্যৱসায়ত জড়িত হ'বলৈ ভয় কৰিব। ইয়াৰ ফলত সমাজত নিচাযুক্ত দ্ৰব্যৰ সহজলভ্যতা হ্ৰাস পাব আৰু যুৱক-যুৱতীসকল এই কুপ্ৰভাৱৰ পৰা কিছু পৰিমাণে সুৰক্ষিত হ'ব। তদুপৰি, আইন-কানুনে বিদ্যালয়, মহাবিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ আশে-পাশে নিচাযুক্ত দ্ৰব্যৰ বিক্ৰী আৰু ব্যৱহাৰ ৰোধ কৰাত সহায় কৰিব। শিক্ষানুষ্ঠানসমূহক নিচামুক্ত অঞ্চল হিচাপে গঢ়ি তুলিবলৈ চৰকাৰী নীতি-নিয়ম আৰু নিৰীক্ষণ ব্যৱস্থা অতি গুৰুত্বপূৰ্ণ।

ভাৰতীয় ন্যায় সংহিতাত নিচাযুক্ত দ্ৰব্য (নিচাজাতীয় সামগ্ৰী বা ড্ৰাগছ) সেৱন বা ব্যৱহাৰৰ বাবে কোনো পোনপটীয়া বা বিশেষ ধাৰা নাই। ইয়াৰ পৰিৱৰ্তে ১৯৮৫ চনৰ নাৰক'টিক ড্ৰাগছ এণ্ড ছাইক'ট্ৰপিক চাবষ্টেন্স এক্ট (Narcotic Drugs and Psychotropic Substances Act) খনেই নিচাযুক্ত দ্ৰব্য সম্পৰ্কীয় বিষয়সমূহৰ ক্ষেত্ৰত মুখ্য আইন হিচাপে কাৰ্যকৰী হৈ আছে। অৱশ্যে এই অধিনিয়মৰ কেইবাটাও ধাৰা ২০১৪ চনৰ ১০ মাৰ্চত সংসদত সংশোধিত কৰে। ইয়াৰ মূল উদ্দেশ্য হৈছে নিচাযুক্ত দ্ৰব্যৰ উৎপাদন নিয়ন্ত্ৰণ, অবৈধ সৰবৰাহ ৰোধ, ব্যৱহাৰ, বিক্ৰী আৰু সংৰক্ষণ নিয়ন্ত্ৰণ আৰু আন্তৰ্জাতিক চুক্তিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰা। এই অধিনিয়মে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰক সুকীয়াকৈ এই বিষয়ে নিয়ম নিৰ্ধাৰণৰ অধিকাৰ দিয়া বাবে প্ৰত্যেক ৰাজ্যতে এই বিষয়ত কিছু নিয়ম-কানুন ভিন্ন হয়। কিন্তু কেন্দ্ৰীয় বা ৰাজ্যিক ক্ষেত্ৰই হওক, নিয়ম ভংগৰ শাস্তি বিধান NDPS-১৯৮৫ অধিনিয়ম মতেই হয়। ইয়াত সন্নিবিষ্ট দোষ আৰু শাস্তি বিধানৰ কিছু অংশ এনেধৰণৰঃ

(১) অনুজ্ঞাপত্ৰ বিহীনভাৱে নিচাযুক্ত দ্ৰব্য উৎপাদন, সংৰক্ষণ, ক্ৰয়-বিক্ৰয় বা পৰিবহন আদি কৰিলে দহবছৰ পৰ্যন্ত কাৰাদণ্ড আৰু এক লাখ টকা পৰ্যন্ত জৰিমনা বিহিত হ'ব পাৰে।

(২) অনুজ্ঞাপত্ৰ মৰ্মে খেতি কৰি যদি জালিয়াতি কৰে, তেন্তে দহৰ পৰা বিশ বছৰৰ পৰ্যন্ত কাৰাদণ্ড আৰু একৰ পৰা দুই লাখ পৰ্যন্ত জৰিমনা হ'ব পাৰে।

(৩) এই অধিনিয়মত পৰিমাণভেদে শাস্তি নিৰ্ধাৰণ কৰা হৈছে। কম পৰিমাণৰ (Small Quantity) বাবে ছমাহ কাৰাদণ্ড অথবা দহ হাজাৰ টকা জৰিমনা; কম পৰিমাণতকৈ অলপ অধিক হ'লে (Intermediate Quantity) দহ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু এক লাখ টকা জৰিমনা হ'ব পাৰে। আনহাতে ব্যৱসায়িক পৰিমাণৰ (Commercial Quantity) হ'লে দহৰ পৰা বিশ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু একৰ পৰা দুই লাখ টকা পৰ্যন্ত জৰিমনা হ'ব পাৰে।

(৪) নিচাযুক্ত দ্ৰব্য বিদেশৰ পৰা আহৰণ কৰি বিদেশতে বিক্ৰী কৰিলেও দহৰ পৰা বিশ বছৰৰ পৰ্যন্ত কাৰাদণ্ড আৰু একৰ পৰা দুই লাখ টকা পৰ্যন্ত জৰিমনা হ'ব পাৰে।

(৫) কোনো লোকে ইচ্ছাকৃতভাৱে নিজ স্থানত এনেকুৱা ধৰণৰ অপৰাধ কৰিব দিলে অথবা নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰিব দিলেও দহৰ পৰা বিশ বছৰৰ পৰ্যন্ত কাৰাদণ্ড আৰু একৰ পৰা দুই লাখ টকা পৰ্যন্ত জৰিমনাৰ ব্যৱস্থা আছে।

(৬) অপৰাধীক উদগনি দিয়া, ষড়যন্ত্ৰ কৰা তথা এই অবৈধ ব্যৱসায় কৰিবৰ বাবে টকা যোগান ধৰা আদি কাৰ্যৰ বাবেও দহৰ পৰা বিশ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু একৰ পৰা দুই লাখ টকা পৰ্যন্ত শাস্তি বিধানৰ ব্যৱস্থা আছে।

(৭) এই ধৰণৰ অপৰাধৰ পুনৰাবৃত্তি কৰিলে অপৰাধীৰ শাস্তি বিধান ডেৰ গুণ বৃদ্ধি হ'ব পাৰে আৰু মৃত্যুদণ্ড পৰ্যন্ত হ'ব পাৰে।

NDPS-১৯৮৫ অধিনিয়ম অনুসৰি কেন্দ্ৰীয় আবকাৰী, নাৰ্কটিকছ, সীমা শুল্ক, ৰাজহ অনুসন্ধান, সশস্ত্ৰ বাহিনী আৰু অৰ্ধসামৰিক বাহিনীকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ অন্যান্য বিভাগ তথা ৰাজ্যিক ভিত্তিত ৰাজহ বিভাগ, ড্ৰাগ নিয়ন্ত্ৰণ বিভাগ, আবকাৰী, আৰক্ষী আৰু অন্যান্য বিভাগে এই ধৰণৰ অপৰাধ প্ৰতিৰোধৰ বাবে অভিযোগ দাখিল কৰাৰ লগতে আটক, জব্দ আদি কৰিব পৰা ক্ষমতা আছে। কিন্তু কিছু কিছু ক্ষেত্ৰত এই অধিনিয়মৰ শিথিলতাও আছে। যেনে- বহু নিচাসক্ত ব্যক্তিৰ চিকিৎসাৰ প্ৰয়োজন হোৱা সত্ত্বেও অপৰাধী হিচাপে গণ্য হয়। ইয়াৰ অধীনত বিচাৰ প্ৰক্ৰিয়া দীঘলীয়া হোৱাৰ ফলত বহু অভিযুক্ত বছৰ বছৰ ধৰি কাৰাগাৰত থাকিবলগীয়া হয়। লগতে সৰু অপৰাধী আৰু বৃহৎ ড্ৰাগ-চক্ৰৰ মাজত কেতিয়াবা যথাযথ পাৰ্থক্য কৰা নহয়। তদুপৰি, ওঠৰ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালী এনে অপৰাধত লিপ্ত হ'লে এই অধিনিয়মত কোনো শাস্তি বিধানৰ উল্লেখ নাই। তেনেক্ষেত্ৰত Juvenile Justice Act অনুসৰি বিশেষ পদ্ধতিৰে বিষয়টো বিবেচনা কৰা হয়। ইয়াৰ মূল লক্ষ্য শাস্তিৰ পৰিৱৰ্তে সংশোধন আৰু পুনৰ্বাসন।

উপসংহাৰঃ নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ আজিৰ সমাজৰ এক গুৰুতৰ সমস্যা। ই ব্যক্তিৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ক্ষতি কৰাৰ লগতে পৰিয়ালৰ শান্তি, সমাজৰ স্থিতিশীলতা আৰু দেশৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি কৰে। বিশেষকৈ যুৱ প্ৰজন্ম এই সমস্যাৰ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত অংশ। এই সমস্যাৰ ফলপ্ৰসূ সমাধানৰ বাবে কঠোৰ আইন প্ৰয়োগৰ উপৰিও জনসচেতনতা বৃদ্ধি, শিক্ষাৰ প্ৰসাৰ, নৈতিক মূল্যবোধৰ বিকাশ আৰু নিচাসক্ত লোকসকলৰ পুনৰ্বাসন ব্যৱস্থা অধিক শক্তিশালী কৰাটো অতি প্ৰয়োজনীয়। চৰকাৰ, আইন-প্ৰয়োগকাৰী সংস্থা, শিক্ষানুষ্ঠান, সংবাদ মাধ্যম, স্বেচ্ছাসেৱী সংগঠন আৰু নাগৰিক সমাজৰ সমন্বিত প্ৰচেষ্টাৰ দ্বাৰাহে এখন সুস্থ, সুৰক্ষিত আৰু নিচামুক্ত সমাজ গঢ়ি তোলা সম্ভৱ। আহক, ২৬ জুনৰ এই নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী আন্তৰ্জাতিক দিৱস উপলক্ষে আমি সকলোৱে নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে প্ৰতিজ্ঞাবদ্ধ হওঁ আৰু এখন সুস্থ, সচেতন তথা নিচামুক্ত সমাজ গঢ়ি তোলাত নিজৰ দায়িত্ব পালন কৰোঁ।।

# অৰণ্যৰ সীপাৰৰ ঘৰ



**বনজিত দাস,ৰিহাবাৰী, বজালী**

কিমান গভীৰৰ পৰা গভীৰতালৈ গ'লে
অতব্য হাবিত সোমাব পাৰিম,
য'ত বিষাদৰ নৈসৰ্গিক বাট
শুকান পাতৰ দৰে সৰি পৰে নিৰৱে
দুপৰ নিশাৰ বুকুত পখীটি বিনাই ।
য'ত স্মৃতিৰ ছাঁই বনত
বতাহে গোপনে গীত গায়
বুকুৰ নিভৃত কোণত
অশ্ৰুৱে নিজাকৈ ঘৰ সাজে ।
কিমান গভীৰৰ পৰা গভীৰতালৈ গ'লে
অতব্য হাবিত সোমাব পাৰিম,
মানচিত্ৰহীন শব্দহীন
মাথো নিৰৱতাৰ দীঘল উশাহ
য'ত হেৰাই যায় দুখৰ ঠিকনাবোৰ
সময়ে আঁকি যায়
নিৰৱতাৰ আঁৰত অদেখা ইতিহাস ।
কিমান নিৰৱতা সাৰটি ল'লে
গভীৰতাৰ পৰা গভীৰতালৈ গ'লে
দুখবোৰে নিজকে চিনিব নোৱাৰে
দুপৰ নিশাৰ বুকুত পখীটি বিনাই
চকুৰ কোণত জমা হোৱা অশ্ৰুৰ ভাষা
তথাপিও বুকুৰ গোপন কোণত
শব্দত জীয়াই থাকে
জীৱনৰ আশা
গভীৰৰ পৰা গভীৰতালৈ
অৰণ্যৰ ভিতৰলৈ!